অসম সাহিত্য সভা

# সভাপতিৰ অভিভাষণ

পঞ্চপঞ্চাশত্তম অধিবেশন

: ডুমডুমা :

ফেব্ৰুৱাৰী ১৬,১৭,১৮,১৯ - ১৯৮৯ চন

ফাগুন ৪,৫,৬,৭ - ৫৪০ শঙ্কৰাব্দ

শ্ৰীমহিম বৰা

OKDISCD

ওঁ

'মূকং কৰোতি বাচালং পঙ্গুং লংঘয়তে গিৰিম্ ।
যৎ কৃপা তমহং ৱন্দে পৰমানন্দ মাধৱম্ ॥'

'হৃদি স্থিত হয়া তুমি
যেন কৰাইবাহা স্বামী
হৃষীকেশ, কৰিবো তেহ্ময় ।'

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী হৈয়ো যিজনে সকলো জীৱতে 'পুৰ' সাজি বাস কৰি 'পুৰুষ' নামে অভিহিত হৈছে, যিজনে আমাৰ ইন্দ্ৰিয় সমূহৰ ঈশ বা গৰাকী হৈ 'হৃষীকেশ' নাম লৈ জীৱক, জগতক অসীম কৃপা কৰি আহিছে, সেই মঙ্গলময় ভগৱন্ত, সেই মহান আল্লা, সেই পৰমেশ্বৰ 'গড', সেই 'ৱাহে গুৰু'ৰ উদ্দেশ্যে জয় জয়তে শতকোটি সেৱা জনালোঁ।

আজিৰ এই মহামিলনৰ তীৰ্থভূমি যাৰ ভৰিৰ ধূলাৰে চিৰপবিত্ৰ হৈ পৰিছে, সেই নৰ-নাৰায়ণক শতকোটি সেৱা জনালোঁ।

ডুমডুমা সাহিত্য সভাৰ আদৰণি সমিতিৰ মাননীয় সভাপতি মহোদয় প্ৰমুখ্যে কৰ্মকৰ্তাসকল, মাননীয় উদ্বোধক শ্ৰীগেড্‌গিল ডাঙৰীয়া, মাননীয় প্ৰতিনিধিবৰ্গ, অসমৰ বিভিন্ন স্থানৰপৰা ইয়াত সমবেত হোৱা সাহিত্য-সংস্কৃতিৰ পূজাৰীসকল, সমবেত সুধীসজ্জন !

অসম সাহিত্য সভাৰ দৰে এক মহান মহাজাতীয় অনুষ্ঠানৰ এই পবিত্ৰ আসনখনি স্বৰ্গীয় পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰধৰ বৰুৱা, বেজবৰুৱা, পণ্ডিত প্ৰৱৰ সন্দিকৈ ডাঙৰীয়া, মফিজুদ্দিন আহমদ হাজৰিকা ডাঙৰীয়া আদি বৰেণ্য পুৰুষসকলে অলংকৃত কৰি যোৱা তিনি কুৰি দহ বছৰৰ ওপৰকাল জাতীয় জীৱনৰ নতুন প্ৰাণৰ ন-চকুযুৰিত দীপিতি ঢালি দি মৰহি যাব খোজা জাতীয় জীৱনক সঞ্জীৱিত কৰি আহিছে, এই আত্ম-বিস্মৃত জনগোষ্ঠীসমূহক সাহ, বল, প্ৰেৰণা দি এখোজ এখোজকৈ আগ-বঢ়াই আনি আজিৰ এই অৱস্থাত থিয় কৰাইছেহি, সেই মহান পুৰুষসকল, যিসকল সৰু কালৰেপৰা মোৰ আছিল স্বপ্নৰ নায়ক, কল্পনাৰ বীৰপুৰুষ, সেইসকলে অলংকৃত কৰি যোৱা এই আসন প্ৰকৃততে মোৰ কাৰণে বিক্ৰমাদিত্যৰ সিংহাসন। এই আসনত বহিবৰ যোগ্যতা মোৰ নাই, তথাপি

ঘটনাৰ কি আচৰিত গতি, সেই আসনতে বহিবলৈ আহিছোঁ ; গোটেই ঘটনা-টোৱেই মোৰ কাৰণে এটি যেন দীঘলীয়া সমাজিক।

যোৱা দুটা শতিকাত আমাৰ জাতীয় জীৱনত আমি প্ৰাণ খুলি হাঁহিবৰ অৱকাশ কেইবাৰ পাইছোঁ, এটা আঙুলিৰ পাবতে লেখিব পাৰি।

মানৰ আক্ৰমণ-অত্যাচাৰত প্ৰায় নিশ্চিহ্ন হৈ পৰা অৱস্থাৰপৰা আমি কোনো মতে মূৰ দাঙি উঠিছিলোঁ, আগৰ ৰাতিৰ শিল-ধুমুহাত বিধ্বস্ত ভৰুণ বাৰী এখন পিছদিনা পুৱাৰ এচেৰেঙা ৰ'দ পাই লাহে লাহে মূৰ দাঙি থিয় হোৱাৰ দৰে। পৰাধীন হৈও ইয়াণ্ডাবু সন্ধিৰ পিছত পৰ্বতে-ভৈয়ামে থান-বান হৈ পৰা এই মানুহখিনি লাহে লাহে কাষ চাপি থান-থিত লাগি 'অসমীয়া', ইংৰাজে দিয়া এই নামেৰে পৰিচিত হৈ একগোট হৈছিলোঁ। বোধকৰো সেইদিনা আমি এবাৰ হাঁহিব পাৰিছিলোঁ– যদিও মোলান আছিল সেই হাঁহি। সেইদিনাৰপৰাই এই ভূমিখণ্ডই নাম পালে 'অসম' আৰু পৰ্বত-ভৈয়াম, ৰজা-প্ৰজা সকলোৱে গ্ৰহণ কৰা, হেজাৰ বছৰ ধৰি ভাবৰ আদান-প্ৰদানত ব্যৱহৃত হোৱা, পিছত নানান কিতাপ, পদ্য-গদ্য সাহিত্যত চহকী হৈ পৰা এই 'ভাষা' বা 'মাত-কথাৰ' নতুন পৰিচয় হ'ল "অসমীয়া"।

এই বিৰাট ভূখণ্ডত বাস কৰা বহু বিচিত্ৰ জনগোষ্ঠীয়ে হেজাৰ হেজাৰ বছৰ ধৰি কোনো নহয় কোনো অংশত ৰাজত্ব কৰিছিল, আৰু প্ৰত্যেকেই এই দেশত এসময়ত বহিৰাগত আছিল। কিন্তু তেওঁলোক ইয়াত স্থায়ীভাৱে বসতি কৰিবলৈ আহিছিল, বৃহত্তৰ তিব্বতো-বাৰ্মান বা বড়ো ৰাজ্য, বৃহত্তৰ অষ্ট্ৰো-এচিয়াটিক বা অষ্ট্ৰিক ৰাজ্য, বৃহত্তৰ টাই ৰাজ্য, বৃহত্তৰ ভূঞা ৰাজ্য গঠন কৰিবলৈ, বা এই দেশৰ সা-সম্পদ লুটি-পুটি নিজৰ ৰাজ্যলৈ নিবলৈ তেওঁলোকে চেষ্টা কৰা নাছিল। সকলোৱে নিজ নিজ ভাষা-সংস্কৃতি, জীৱন-যাত্ৰা পদ্ধতি, কৃষি-পদ্ধতিৰে উমৈহতীয়াভাৱে এই দেশ সমৃদ্ধ কৰি বাহিৰৰ আক্ৰমণৰ বিৰুদ্ধে একগোট হৈ থিয় দিছিল।

বিদেশীয়ে এদিন ভাৰতৰ সিন্ধুনদৰ পাৰৰ মানুহখিনিক 'হিন্দু' আৰু দেশখনক 'হিন্দুস্তান' নাম দিয়াৰ দৰেই, বিদেশীয়ে আমাৰ দেশ, মানুহ আৰু ভাষাক "অসমীয়া" নাম দি গ'ল। এয়া ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ দিনা হোৱা এক ঐতিহাসিক ঘটনা, এটা কলমৰ আঁচোৰৰ ঘটনা। প্ৰকৃততে আমাৰ মাজত প্ৰত্যেকৰে প্ৰজাতিগত, গোষ্ঠীগত নিজা নিজা পৰিচয় আছে, আৰু উমৈহতীয়াভাৱে আমি সকলো অসমীয়া। 'অসমীয়া' নামৰ কোনো এটা জনগোষ্ঠী বা প্ৰজাতি আমাৰ নাই। আমাৰ বুৰঞ্জীত, আমাৰ প্ৰাচীন সাহিত্যত ক'তো 'অসমীয়া' নামৰ ভাষা এটা বা



জাতি এটা বা 'অসম' নামৰ ঠাই এক খণ্ডৰ নাম নাপাওঁ। শ্ৰীমন্ত শংকৰ-দেৱে মাত্ৰ ভাগৱতত অসম, মুলুক, কুৱাচ, তুৰুক আদি বিভিন্ন জনগোষ্ঠীৰ নামৰ উল্লেখ প্ৰসঙ্গত 'অসম' নামটোৰ ব্যৱহাৰ কৰিছিল। এই 'অসম' নামটোৱে 'টাই'সকলক বুজাইছিল। আকৌ, স্বৰ্গদেৱ চুকাফাই ত্ৰয়োদশ শতিকাত যেতিয়া এই দেশৰ পূবখণ্ড আক্ৰমণ কৰি বৰাহী ৰজাক যুদ্ধত ঘটুৱাই বৰাহী ৰাজকুঁৱৰীক বিৱাহ কৰি মিত্ৰতা স্থাপন কৰিছিল, বৰাহী চাংমাই গ্ৰহণ কৰি বিশ্বাস আৰু আত্মীয়তাৰ অভূতপূৰ্ব নিদৰ্শন দাঙি ধৰিছিল, তেতিয়া ৰজা-প্ৰজা স্থানীয় অধিবাসীসকলে তেওঁলোকক 'অসম'– এই সংস্কৃতমূলীয় বিশেষণ পদটো দিছিল, আৰু কালক্ৰমত এই শব্দই বিশেষ্য পদ হৈ নৱাগত টাইসকলক বুজাবলৈ ধৰিলে। মানুহৰ মুখত অহম বা আহোম হ'লেও, বুৰঞ্জীত, শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাত 'অসম' এই শুদ্ধ ৰূপটোৱে ব্যৱহাৰ হৈছে। পৰাজিতসকলৰপৰা অতি বিশ্বাসী লোককো বান্ধনি কৰি লোৱাৰ উদাহৰণ ক'তো পোৱা নাযায়। এনে ক্ষেত্ৰত স্বৰ্গদেৱ চুকাফাৰ এই কাৰ্যই এক বৃহৎ সাম্ৰাজ্য আৰু এক ঐক্যবদ্ধ শক্তি-শালী জাতিৰ ভেঁটি স্থাপন কৰি গ'ল।

বড়ো, কছাৰী, ডিমাছা, চুটীয়া, মটক, মৰাণ, তিৱা, বাৰভূঞা, শেষত টাই আদি বিভিন্ন জনগোষ্ঠীৰ ৰজাসকল এই ৰাজ্যত ৰজা হৈ গ'ল যদিও কোনেও নিজৰ ভাষাটোক নিজৰ প্ৰজাৰ ওপৰত জাপি দিবলৈ চেষ্টা কৰা নাছিল। ইচ্ছা কৰা হ'লে নিশ্চয় পাৰিলেহেঁতেন। শেষত টাই-আহোমসকলে কৰতোয়াত খাণ্ডা পখালি এই বৃহত্তৰ অসমত একছত্ৰী সম্ৰাট হৈয়ো, নিজৰ ভাষাটো জাপি দিব নুখুজিলে– এবাৰ মাত্ৰ ঢোল কোবাই শুনাই দিয়া হ'লেই যিটো কাম হৈ গ'লহেঁতেন! তেতিয়াৰ প্ৰতাপী শাসক সকলে চহকী, সৰহসংখ্যক লোকৰ মাজত প্ৰচলিত থলুৱা ভাষাটোকেই স্বীকৃতি দি পণ্ডিত, কবিসকলক পৃষ্ঠপোষকতা দি সেই ভাষাটোকেহে সমৃদ্ধি-শালী কৰি গ'ল। কাৰণ দূৰদৰ্শী শাসকসকলে বুজিছিল, পৰ্বত-ভৈয়াম, বিচিত্ৰ জনগোষ্ঠীৰে ভৰপূৰ এই দেশখনৰ একমাত্ৰ সংযোগসূত্ৰ হ'ব এই থলুৱা ভাষাটোহে। এই ভাষাটোৰ কথাকেই কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত কামৰূপলৈ অহা ভ্ৰমণকাৰী হিউৱেনচাঙে মধ্য ভাৰতৰ ভাষাতকৈ অলপহে বেলেগ বুলি তেওঁৰ টোকাত উল্লেখ কৰি গৈছে। যদিও ভাষাতত্ত্ব-বিদ পণ্ডিতসকলৰ মতে ভাৰতীয় আধুনিক ভাষাসমূহে দশম শতিকা মানৰ পৰাহে নিজস্ব ৰূপ লৈছে–, হিউৱেনচাঙে কিন্তু তাহানিতে এই ভাষাৰ অস্তিত্ব স্বীকাৰ কৰি গৈছে। মোৰ নিজা ধাৰণা এই ক্ষেত্ৰত বেলেগ! মোৰ

OKDISCD

মতে বৈদ্দিক যুগৰ আগতে অহা ইৰাণীয়ানসকলৰে এটা দল, যাক নৃতত্ত্ববিদ পণ্ডিতসকলে আলপাইন নাম দিছে, তেওঁলোকেই কুলু উপত্যকাত বহু শ বছৰ বসতি কৰাৰ পিছত হিমালয়ৰ পাদদেশেদি আহি ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ পাৰ্বত্য খণ্ডত, পিছত ভৈয়ামত বসতি কৰিবলৈ ধৰে, তেওঁলোকেই এই ভাষাটো এই অঞ্চলত প্ৰৱৰ্তন কৰে। পূৰ্বমাগধী প্ৰাকৃতৰপৰা অহা, বা ডিম্বেশ্বৰ নেওগদেৱৰ মতে কামৰূপী প্ৰাকৃতৰপৰা সৃষ্টি হোৱা ভাষা,– যেনেকৈয়ে হওক, একে গোষ্ঠীৰ অসমীয়া, বঙলা, উৰিয়া, এই তিনি ভাষাৰ বৰ্ণমালাৰ পাৰ্থক্য (বিশেষকৈ 'ৱ' ধ্বনিটো) আৰু 'শ, ষ, স' এই তিনিটা বৰ্ণৰ উচ্চাৰণৰ পাৰ্থক্য নিশ্চয় নাথাকিলহেঁতেন– বাকী অন্যান্য পাৰ্থক্যৰ কথা এৰিও। 'শ, ষ, স'ৰ ভিতৰত বিশেষকৈ 'স'ৰ উচ্চাৰণ যে এসময়ত বৈদিক আৰ্যসকল অহাৰ আগতে অহা আলপাইন জাতিৰ আৰ্যসকলৰ দিনত, বা তাৰ আগতেও আছিল এই কথা প্ৰাচীন ইৰাণীয়ান সাহিত্যৰ জেন্দআৱেস্তাৰপৰাও বোধগম্য হয়। তেওঁলোকে বসতি কৰা অঞ্চলক "হপ্তহিন্ধু"ৰ, অৰ্থাৎ সাতখন নদীৰ দেশ বুলি নামকৰণ কৰিছিল। পিছৰ বৈদিক যুগত সাতখন নদীৰ দুখন শুকাই যোৱাত পঞ্চ+অপ্ হৈ পাঞ্জাব হ'ল। সেই "হপ্তহিন্ধু"ৰ নামৰ 'স' উচ্চাৰণ বিদেশীয়েও কৰিব নোৱৰাত 'হ' উচ্চাৰণ কৰিছিল, সেয়ে 'সিন্ধু' পিছলৈ এখন নদৰ নাম হ'ল আৰু তাৰ পাৰৰ মানুহবিলাকক বিদেশীয়ে হিন্দু আখ্যা দিলে। ইংৰাজে 'হ' টো 'ই' কৰি নদৰ নাম দিলে 'ইণ্ডাচ" আৰু দেশখনৰ নাম দিলে ইণ্ডিয়া। আমাৰ উঠি অহা অনুসন্ধিৎসুসকলে যদি কুলু উপত্যকা আৰু হিমাচল প্ৰদেশৰ পুৰাতাত্ত্বিক গৱেষণা কৰে, তেনেহ'লে বহু তথ্য উদ্ধাৰ হোৱাৰ সম্ভাৱনা। আৰু এটা মন কৰিবলগীয়া, আমাৰ ভাষাত 'দেৱ' শব্দটো সংস্কৃতৰপৰা আহিলেও, তাৰ আগতেই 'দেও' শব্দটো সম্পূৰ্ণ বিপৰীত অৰ্থত ভূত অপদেৱতা আদি বুজোৱা অৰ্থত ব্যৱহৃত হৈছে। দেওলগা গছ, দেওলগা ঘাট আদিত এনে ব্যৱহাৰ সোমাই আছে। তাহানিতে আমাৰ এজন বৰেণ্য সাহিত্যিক অসম সাহিত্য সভাৰ এজন প্ৰাক্তন সভাপতি স্বৰ্গীয় কনকলাল বৰুৱাদেৱেও এই কথা দেখুৱাই গৈছে।

সি যি হওক, মই এতিয়া নতুন একো গৱেষণা কৰিবলৈ অহা নাই। প্ৰসংগক্ৰমেই এই কথা আহিছে। অতি পুৰণি কালৰেপৰা যে এই ভাষাটো ব্যৱহাৰ কৰা এশ্ৰেণীৰ লোক ইয়াত আছিল, আৰু বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ প্ৰভাৱত এই ভাষাৰ শব্দাৱলী সমৃদ্ধ হোৱাৰ উপৰিও বাক্য-গাঁথনিত, ব্যাকৰণত জনগোষ্ঠীয় ভাষাৰ, বিশেষকৈ বড়ো



ভাষাৰ প্ৰভাৱ পৰিছিল, এই কথা ড° কাকতি প্ৰমুখ্যে ভাষাবিদ পণ্ডিতসকলে আলোচনা কৰি গৈছে।

ত্ৰয়োদশ শতিকাৰপৰা কুৰি শতিকালৈকে আমি নানা দুৰ্যোগৰ দিন পাৰ হৈ আহিছোঁ, জাতি হিচাপে আমি মৰি মৰিও জী উঠিছোঁ– 'মৰিও নমৰে পৰিও নপৰে বাণ-ভগদত্ত-চুকাফা জাত' (শৈলধৰ ৰাজখোৱা)।

এই উমৈহতীয়া ভাষাটোকে সাৱটি ধৰি আমি সাহ, বল, উৎসাহ পাই আহিছোঁ– সেয়ে নোহোৱা হ'লে আমি প্ৰত্যেক জনগোষ্ঠীয়েই একো একোটা সৰু দ্বীপ হৈ থাকিলোঁহেঁতেন, আৰু বুৰঞ্জীৰ বুকুত কালক্ৰমত হেৰাই গ'লোঁহেঁতেন।

এইখিনিতে যোৱা আন্দোলনৰ সময়ৰ এটা ঘটনাৰ কথা জনাব খুজিছোঁ। যোৱা আন্দোলনত অসম সাহিত্য সভাৰ দ্বাৰা নিয়োজিত হৈ নগাঁও সাহিত্য সভাই নগাঁৱৰ বিভিন্ন অঞ্চলৰ ৰাইজৰ মাজত আন্দোলনৰ মূল কথাবিলাক বুজাই দিবলৈ অসংখ্য ৰাজহুৱা সভাত বক্তৃতা দিয়াৰ ব্যৱস্থা কৰিছিল। পিছপৰা সংখ্যালঘু সম্প্ৰদায় থকা, চাহ বাগিচা আদিত আমি বক্তৃতা দি উৎসাহজনক সঁহাৰি পাইছিলোঁ। নগাঁও জিলাৰ চাহ বাগানত চৰ্দাৰ-চকীদাৰসকলৰ এখন সভাত মই অসম, অসমীয়া, অসমৰ বিভিন্ন জনগোষ্ঠী আদিৰ বিষয়ে বুজাই বক্তৃতা দিয়াৰ পিছত সমজুৱাৰ মাজত এক আলোড়নৰ সৃষ্টি হ'ল, আৰু এজন চৰ্দাৰে মোক প্ৰায় সাৱট মাৰি ধৰিয়ে ক'লে, "এইখিনি কথাকে যোৱা ডেৰশ বছৰ ধৰি আপোনালোকে পেটত লৈ ফুৰাইছিল, আমাক ইমান দিনে খুলি কোৱা নাছিল কিয়?" এই উক্তিটো মই হুবহু উঠাই দিছোঁ এই কাৰণেই যে ভাবৰ পূৰ্ণতা আৰু আন্তৰিকতা নাথাকিলে এজন অনাখৰী বা সাধাৰণ ভাৱে শিক্ষাপ্ৰাপ্ত লোকৰ মুখত এনে ভাষা ওলাব নোৱাৰে। ভাষাৰ কথা এৰিও, এই উক্তিটোৰ বিশেষ তাৎপৰ্য আছে, আৰু এই তাৎপৰ্য গভীৰ, ব্যাপক, সুদূৰপ্ৰসাৰী। এনে ভুল বুজা-বুজি আমি যথাসময়ত আঁতৰোৱাৰ ব্যৱস্থা কৰা হ'লে যোৱা আন্দোলনত কোনো কোনো ঠাইত ভুল বুজা-বুজিৰ ফলত সংঘটিত হোৱা দুৰ্ভাগ্যজনক ঘটনা নঘটিলেহঁতেন!

আন্দোলনৰ শেষত শাখা সাহিত্য সভা আৰু জিলা সাহিত্য পৰিষদ বোৰে এই কাম দুগুণ উৎসাহেৰে চলাই নিব লাগিছিল। মই জড়িত থকা 'নগাঁও জিলা সাহিত্য পৰিষদে' (এতিয়া 'সভা') আওহতীয়া ঠাইত সভাৰ অনুষ্ঠান, আলোচনা চক্ৰ আদি পাতি ৰাইজক সজাগ কৰিবলৈ যোৱা কে'বা-

OKDISCD

বছৰৰপৰাই চেষ্টা কৰি আহিছে। আন আন জিলা সাহিত্য সভায়ো নিশ্চয় তেনে কাম কৰি আহিছে। অসম সাহিত্য সভাৰ বছৰেকীয়া প্ৰতিবেদনত এইবিলাক কামৰ বিৱৰণ গুৰুত্বসহকাৰে দিব লাগে। এই খিনিতে মনত পৰেঁাতেই আৰু এটা কথাৰ প্ৰতি সাহিত্য সভাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। ব্যক্তিগত অভিজ্ঞতাৰপৰা বুজিছোঁ যে অসম সাহিত্য সভাৰ প্ৰধান শক্তিৰ আধাৰ কৰি গঢ়ি তুলিব লাগে এই জিলা সাহিত্য সভা সমূহকহে। এই সভাকেইখনক অধিক ক্ষমতা দি শাখা সভাসমূহক পোনপটীয়াকৈ জিলা সভাৰ ওচৰত দায়বদ্ধ কৰিব লাগে। তেতিয়া শাখাসমূহক সততে ক্ৰিয়াশীল কৰি ৰাখিব পৰা হ'ব, আৰু তেনে শাখাসমূহৰ যোগেদিয়েই বিভিন্ন অঞ্চলৰ ৰাইজৰ লগত আমাৰ আত্মীয়তা বাঢ়িব।

'অসমীয়া' কোন, এই প্ৰসঙ্গক্ৰমত এইখিনি কথা বাঢ়িল। চাহ বাগানৰ অসমীয়া, পিছত অহা পূব বঙ্গৰ মুছলমান অসমীয়া (যাক শ্ৰীযুত হোমেন বৰগোহাঞিদেৱে নামকৰণ কৰিছিল 'ন-অসমীয়া' বুলি ব্যৱহাৰিক সুবিধাৰ কাৰণে, কিন্তু বৰ্তমান এনে প্ৰয়োজন উঠি গৈছে) অসমৰ শিখসকল, বৌদ্ধসকল, বিভিন্ন জনগোষ্ঠী, পৰ্বত-ভৈয়াম, নেপালীসকল, বঙালীসকল সকলো মিলিয়েই 'অসমীয়া'। এই বিভিন্ন, বিচিত্ৰ জনগোষ্ঠীৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ খাদ্যাখাদ্য, বিয়া-বাৰু, জন্ম-মৃত্যুৰ সংস্কাৰ-পদ্ধতি, প্ৰত্যেকৰে সুকীয়া সুকীয়া। কোনো কোনো ক্ষেত্ৰত মিল থাকিলেও অমিলৰ সংখ্যাই বেছি। ধৰ্মৰ ক্ষেত্ৰত বিভিন্ন ধৰ্মৰ বহল বিভাগ আছেই। প্ৰত্যেক জনগোষ্ঠীৰে নিজ নিজ ঘৰুৱা ভাষাও আছে। বৰ্তমানে এনে কিছুমান প্ৰধান ভাষাৰ লিখিত ৰূপ দি পুনৰুদ্ধাৰ কৰা হৈছে, আৰু কোনো ক্ষেত্ৰত পুনৰুদ্ধাৰৰ চেষ্টা চলিছে। এই বিভিন্ন অনৈক্যসমূহেই আমাৰ বৈচিত্ৰ্যৰ সৃষ্টি কৰিছে। এই বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সৃষ্টি কৰাই হৈছে আমাৰ চিৰকালৰ জাতীয় সাধনা। অৰ্থাৎ ঐক্য সৃষ্টি কৰা মানে বৈচিত্ৰ্য ধ্বংস কৰা নহয়, বৈচিত্ৰ্যৰ সংৰক্ষণ কৰাহে। বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব বাঢ়িলেহে ঐক্যৰ এনাজৰীডাল সুদৃঢ় হ'ব। অসমত এই ঐক্যৰ এনাজৰীডালেই হ'ল থলুৱা, উমৈহতীয়া এই ভাষাটো,- যাক আমি সিদিনাৰপৰাহে 'অসমীয়া' এই নতুন নামকৰণ কৰিছোঁ। তেতিয়াৰ দূৰদৰ্শী, দেশপ্ৰাণ বৰেণ্য নেতাসকলে সেই কাৰণেই "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা"খনক "অসমীয়া সাহিত্য সভা" নামকৰণ নকৰি "অসম সাহিত্য সভা" নামকৰণ কৰি গ'ল;- এই সভাই হ'ল অসমবাসী সকলোৰে একমাত্ৰ "মিলন তীৰ্থ"।

এইখিনিতে কোনোৱে প্ৰশ্ন কৰিব পাৰে, ১৯১৭ চনৰপৰা আজিলৈকে



ইমান দীঘলীয়া সময়খিনিত অসম সাহিত্য সভাই বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ কাৰণে কি কি কাম কৰিছে? উত্তৰত আমি অসম সাহিত্য সভাই প্ৰকাশ কৰা কিতাপৰ তালিকাখনলৈ আঙুলিয়াই দিম। সেয়ে যথেষ্ট হোৱা নাই বুলি কোনোবাই ক'লে ক'ব লাগিব যে জনজাতীয় ভাষাই সিদিনাহে নিজৰ বৰ্ণমালাৰ বা লিপিৰ স্থিৰ সিদ্ধান্তলৈ আহিছে। তেনে কে'বাটাও ভাষাৰ ব্যাকৰণ, অভিধান আদিও নাই। আটাইতকৈ ডাঙৰ কথা হ'ল, আমি উমৈহতীয়াভাৱে গোটেই মানুহখিনিয়েই বিলুপ্তিৰ পথত। মানুহ কিছুমান জীয়াই থাকিলোহেঁতেন থানে-বানে; কিন্তু অসমীয়া মানুহ হৈ জীয়াই থাকিব নোৱাৰিলোহেঁতেন। অস্তিত্বৰ এনে সংকটে যোৱা তিনিকুৰি বছৰে কেতিয়াবা মৃদু, কেতিয়াবা ডাঙৰ ভুঁইকঁপৰ দৰে আমাক জোকাৰি আহিছে। একমাত্ৰ সংযোগসূত্ৰ অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ কাৰণে বিভিন্ন জনগোষ্ঠীৰ শিক্ষিত, সচেতনসকলে প্ৰাণটাকি যুঁজ কৰি আহিবলগা হৈছে।

তাৰ উপৰি, ১৮২৬ চনৰ আগৰ কথা এৰিও, পিছৰ ১৯১৭ চনলৈকে এই সময়খিনিত আমাৰ কিমান ধুমুহা মূৰৰ ওপৰেদি গ'ল, সেই কথাও আমি পাহৰিব নালাগিব। ১৮৩৬ চনলৈকেহে অসমীয়া ভাষা স্কুল-আদালতত চলাইছিল ইংৰাজে। ১৮৩৭ চনৰ আগৰ দহ বছৰত অসমত চলিছিল ভয়ানক "মানৰ দিন"। সেই দহ বছৰত– স্বৰ্গীয় গোহাঞি বৰুৱাদেৱৰ ভাষাৰেই কওঁ: "মানৰ দিনৰ উপদ্ৰৱত অসম দেশ ছাৰখাৰ হোৱাৰ লগে লগে অসমীয়া সমাজ ভাগি ঠান-বান হ'ল। অসমীয়া সাহিত্য ভঁৰালত জুই লাগিল। ...... অসমীয়া সাহিত্যৰ মধ্য বা শঙ্কৰী যুগৰ অকাল অৱসান ঘটিল। ...... খ্ৰীঃ ১৮১৬ চনৰপৰা ১৮২৬ চনলৈকে এই দহ বছৰত অসমীয়া সাহিত্যৰ একেবাৰে মৰামুৱা অৱস্থা।" এইয়া অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ সভাপতি ডাঙৰীয়াৰ ভাষণৰ উদ্ধৃতি।

ইয়াৰ পিছত ১৮৩৬ খ্ৰীঃত অসমীয়াৰ ঠাইত বঙলা ভাষা স্কুল-আদালতত চলিল ১৮৭৩ খ্ৰীষ্টাব্দলৈকে।

আকৌ গোহাঞিবৰুৱা ডাঙৰীয়াৰ কথাকে শুনক: ......
"অসমীয়া সাহিত্যৰ বৰ্তমান যুগ খ্ৰীঃ ১৮১৬ চনৰপৰা ১৯০৩ চনলৈকে ৮৭ বছৰ, তাক মহা আপদৰ কাল বুলি ধৰিবলগীয়া। তাৰ ভিতৰত ১৮৩৬ চনৰপৰা ১৮৭১ চনলৈকে এই ৩৫ বছৰ কালত অসমীয়া সাহিত্যৰ একেবাৰে মৰামুৱা অৱস্থা আৰু তাৰপৰা ১৯০৩ চনলৈকে এই ৩২ বছৰ কাল সি ভালকৈ কঁকাল পোনাব নোৱাৰা ভাৱেই কটাব

OKDISCD

লগাত পৰে। ধৰিবলৈ গ'লে যোৱা চৈধ্য বছৰ মাথোন অসমীয়া ভাষা আৰু সাহিত্যই অশেষ অপায়-অমঙ্গলৰ হাত সাৰি উশাহ ল'বপৰা সময় পাৰ হৈছে।"......

চাওক, ১৯১৭ চনতেই আমাৰ ভাষা সাহিত্যৰ এই অৱস্থা। ইয়াৰ পিছতো এই সংকট নাতঁৰিল। বিগত হেজাৰ হেজাৰ বছৰ ধৰি তাহানিৰ প্ৰাগজ্যোতিষপুৰ, কামৰূপত ৰাজত্ব কৰি অহা বিভিন্ন জনগোষ্ঠীৰ শাসকসকলে যিটো ভাষাক সাৰ-পানী দি আপদাল কৰি চহকী কৰি আহিছে, পৃষ্ঠ-পোষকতা দি যিটো ভাষাৰ শ্ৰীবৃদ্ধি সাধন কৰি আহিছে, টাইসকলে যিটো ভাষাক ৰাষ্ট্ৰভাষাৰ মৰ্যাদা দি পূৰ্ণতা দান কৰিলে, সেই ভাষা যদি আজি আমাৰ মাজৰপৰা হেৰাই যায়, বা ভৱিষ্যতে কেতিয়াবা হেৰাই যায়, তেনে-হ'লে আমি সকলো জনগোষ্ঠীয়েই ছিগি পৰা মণিৰ দৰে থান-বান হৈ বুৰঞ্জীৰ কেঞ্চাবনৰ মাজতে হেৰাই যাম।

আমাৰ জনজাতীয় ভাষাসমূহৰ পুনৰুদ্ধাৰৰ চেষ্টা ইংৰাজ শাসনৰ কালতে বেপ্টিষ্ট মিশ্যনাৰীসকলেও কৰি গৈছিল। সম্প্ৰতি যোৱা কেই-বছৰমানৰ ভিতৰতে বড়ো, কাৰ্বি ভাষাক সেই সেই ভাষাৰ পণ্ডিত-সাহিত্যিক সকলে লিপিবদ্ধ কৰি এটা নতুন গতি আনি দিব পাৰিছে। বিশেষকৈ বড়ো ভাষা হাইস্কুললৈকে শিক্ষাৰ মাধ্যম হোৱাৰ উপৰিও বিভিন্ন গল্প-কবিতা আদি সৃষ্টিমূলক সাহিত্যৰে সমৃদ্ধি লাভ কৰাৰ পথত আগবাঢ়িছে। বড়ো আৰু কাৰ্বি ভাষাত বোলছবি ওলোৱাৰ উপৰিও অনাতাঁৰৰ যোগেদি বড়ো, কাৰ্বি আদি জনজাতীয় ভাষাসমূহৰ প্ৰচাৰ হৈছে। প্ৰখ্যাত ঔপন্যাসিক অধ্যাপক শ্ৰীৰংবং তেৰাঙে একক প্ৰচেষ্টাৰে কাৰ্বি ভাষাৰ প্ৰথম অভিধান প্ৰকাশ কৰিছে।

অসমীয়া ভাষাই যোৱা হেজাৰ বছৰ ধৰি নানান শব্দ সম্ভাৰেৰে সমৃদ্ধ হৈও, এতিয়াও বহু শব্দ অন্য ভাষাৰপৰা বিশেষকৈ সংস্কৃত ভাষাৰ পৰা নতুনকৈ ধাৰ কৰিবলগা হৈছে। এতিয়াও কোনো কোনো ক্ষেত্ৰত ইংৰাজী শব্দ ব্যৱহাৰ কৰি অৰ্থ বুজাই দিব লগা অৱস্থাত থাকিব লগা হৈছে। পৃথিবীৰ সকলো ভাষাৰ ক্ষেত্ৰতে এইটো কথা সঁচা যে প্ৰকাশিকা শক্তিৰ ক্ষেত্ৰত কোনোটো ভাষাই স্বয়ং সম্পূৰ্ণ হৈছে বুলি দাবী কৰিব নোৱাৰে। একোটা ভাষা স্বয়ং সম্পূৰ্ণ হোৱাৰ ক্ষেত্ৰত কোনো চমু পথ নাই।

অসমীয়া ভাষা-সাহিত্য জনজাতীয় অজনজাতীয়, ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে সকলো সাহিত্যপ্ৰেমীৰে অৰিহণাৰ দ্বাৰা সমৃদ্ধ। এতিয়া যিসকলে অকল জনজাতীয় ভাষাতহে সাহিত্য ৰচনা কৰি সুনাম অৰ্জন কৰিছে,



সেইসকলৰ ৰচনাৱলীৰ অসমীয়া ভাঙনি লগে লগে প্ৰকাশ কৰিবলৈ আমাৰ প্ৰকাশকসকল আগবাঢ়ি আহিব লাগে। পুঁজিৰ ব্যৱস্থা হ'লে সাহিত্য সভায়ো এই কাম হাতত লোৱা প্ৰয়োজন। এনেয়ে আমাৰ পাঠক সমাজ অতি সীমাবদ্ধ। তাৰ ভিতৰতে যদি একোটা অংশ ফালৰি কাটি থাকে, তেনেহ'লে আমাৰ ভাষা সাহিত্যৰ সমূহীয়া ক্ষতি হ'ব। সুকীয়া ৰাজ্যৰ অধিকাৰী খাচী, গাৰো, নগা, অৰুণাচল আদিৰ ক্ষেত্ৰতো এই কথা খাটে।

অৱশ্যে আমাৰ প্ৰধান দায়িত্ব পৰিব অসমৰ বিভিন্ন জনজাতীয় ভাষাসমূহৰ ওপৰতহে। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ কৰ্তব্য হ'ল জিলা তথা শাখা সভাৰ যোগেদি নিজ নিজ এলেকাৰ জনজাতীয় ভাষাৰ উন্নতিত সহযোগ আগবঢ়োৱা। স্থানীয় জনজাতীয় ভাষাটোক অজনজাতীয় ল'ৰা-ছোৱালীয়েও যাতে পঢ়িব পাৰে, তাৰ ব্যৱস্থাও তেনে অঞ্চলৰ স্কুল-বিলাকত ৰখাৰ ব্যৱস্থা চৰকাৰৰ সহযোগত কৰিব লাগিব। জনজাতীয় ৰাইজৰ মাজত প্ৰচলিত কাহিনী, কিংবদন্তি, বিশ্বাস, মৌখিক গীত-মাত, নৃত্য আদি সংগ্ৰহ আৰু শিক্ষাৰ ব্যৱস্থাও আমাৰ শাখাবোৰৰ যোগেদি কৰিব লাগিব।

সদ্যহতে আন এটা সমস্যাই আমাৰ ভৱিষ্যত আকৌ সংশয়াচ্ছন্ন কৰি তুলিছে। সেয়া হৈছে, সুকীয়া জনজাতীয় ৰাজ্যৰ দাবী। সম্প্ৰতি বড়ো সকলে পূৰ্ণাঙ্গ বড়ো ৰাজ্যৰ দাবীও তুলিছে। সুদূৰ অতীতৰপৰা এই দেশত কোনো কালেই কোনো ৰাজত্বতে জনজাতীয়-অজনজাতীয় এনে ভাগত প্ৰজা-সকলক ভাগ কৰা হোৱা নাছিল। বিভিন্ন অঞ্চলত ৰাজত্ব কৰা ৰজাসকলে নিৰপেক্ষভাৱে দেশ শাসন কৰিছিল। আনকি গুণী-জ্ঞানী ব্ৰাহ্মণ-কায়স্থ লোকক আন ৰাজ্যৰপৰা নিমন্ত্ৰণ কৰি আনি নিজৰ ৰাজ্যত বহুৱাইছিল, আৰু ৰাজসভাত যথাযোগ্য মৰ্যাদা দি ৰাজ্য শাসনত ভাগ দিছিল। দেৱ-ভাষা সংস্কৃতত ৰচিত শাস্ত্ৰসমূহ স্ত্ৰী-শূদ্ৰসমাজেও সহজে বুজিবপৰাকৈ থলুৱা ভাষালৈ উপযুক্ত পণ্ডিতৰ হতুৱাই ভাঙনি কৰাইছিল, কোঁচ ৰজা নৰনাৰায়ণ আৰু ভ্ৰাতৃ শুক্লধ্বজ দুয়ো বাৰানসীত সংস্কৃত পঢ়ি এই ভাষাত গভীৰ ব্যুৎপত্তি লাভ কৰিছিল। পিতৃ বিশ্বসিংহৰ এই দূৰদৃষ্টি আছিল আজিৰপৰা প্ৰায় ছশবছৰৰ আগতেই। সেই কাৰণেই মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাই আমাৰ সাহিত্যত এক সোণোৱালী যুগৰ সৃষ্টি কৰি গ'ল– যি যুগ বিশ্বৰ বুৰঞ্জীত অমৰ হৈ থাকিব– কালৰ গতিত কেতিয়াবা এই ভাষা-ভাষী মানুহখিনি বিলুপ্ত হৈ গ'লেও। অকল সেয়ে নহয়, এসময়ত নৰনাৰায়ণৰ ৰাজটোলৰ খৰিভাৰী, পানীভাৰী পৰ্যন্ত সকলোৰে সংস্কৃত ভাষা জনাটো

OKDISCD

বাধ্যতামূলক কৰি দিছিল। একে প্ৰজাতিৰ বংশধৰসকলেই বিভিন্ন অঞ্চলত ৰাজত্ব কৰিলেও সকলোৱে এক হৈ পৰা নাছিল। এতিয়া কালক্ৰমত সেই পৰাক্ৰমী ৰাজবংশসমূহৰ বংশধৰসকলে নিজক কিয় 'জনজাতি' বুলি পৰিচয় দিবলৈ হেতা-ওপৰা কৰিবলৈ ধৰিলে, সেই প্ৰশ্ন মোৰ আলোচ্য বিষয় নহয়। আমি অসমৰ গোটেই মানুহখিনিয়েই ভাৰতৰ আন ৰাজ্যৰ মানুহতকৈ পিছ-পৰা; বিশেষকৈ আধুনিক জ্ঞান-বিদ্যা, প্ৰযুক্তিবিদ্যা বেহা-বেপাৰ আদিত। আমি সকলোৱেই শোষিত, বঞ্চিত, স্বাধীনতাৰ পিছৰপৰা শক্তিশালী কেন্দ্ৰীয় চৰকাৰেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে আমাক আনৰ দ্বাৰা শোষিত হ'বলৈ দিছে, আৰু আমাক ন্যায্য প্ৰাপ্যৰপৰা বঞ্চিত কৰি আহিছে। আমাৰ সংবিধানত ভাৰতৰ যিকোনো ৰাজ্যৰ মানুহ ভাৰতৰ যিকোনো স্থানলৈ গৈ সেই অঞ্চলত নিজৰ ভাষা-সংস্কৃতি- জীৱনধাৰা চলাই থাকিবপৰা ব্যৱস্থা আছে; কিন্তু সেই সেই অঞ্চলৰ ভাষা-সংস্কৃতি-জীৱনধাৰা মানি লোৱাৰ কাৰণে কোনো সাংবিধানিক হেঁচা নাই। গতিকে দুৰ্বলৰ ওপৰত সবলৰ, কম জনসংখ্যাৰ লোকৰ ওপৰত জনসংখ্যাত বলীসকলৰ অবাধ শোষণ চলাৰ সুবিধা আমাৰ পবিত্ৰ সংবিধানেই দি থৈছে। অথচ আমাৰ দূৰদৰ্শী সংবিধান ৰচকসকলে এই মূল কথাটোলৈ আওকণীয়া ভাও ধৰি আছিল আৰু এতিয়াৰ নেতাসকলেও তেনে ভাও লৈ আছে যে ভাৰতবৰ্ষৰ প্ৰতি ইঞ্চি মাটিয়েই ভাৰতবৰ্ষ, প্ৰতিটো অঞ্চল, প্ৰতিখন ৰাজ্যৰ ভাষা-সংস্কৃতি-জীৱন-ধাৰাই ভাৰতীয়। ভাৰতীয় বুলি এটা ভাষা, এটা সংস্কৃতি, এটা জীৱন-ধাৰা নাই। কাশ্মীৰ, বিহাৰ, বঙ্গদেশ বা ভাৰতৰ যিকোনো এখন ৰাজ্যৰ মাটিয়েই ভাৰতবৰ্ষ নহয়। আজি আমাৰ চকুৰ আগতে এসময়ৰ স্বাধীন, চহকী ত্ৰিপুৰা ৰাজ্যৰ কি অৱস্থা হ'ল? চিকিমৰ কি অৱস্থা হ'ল? আমি ভাৱ-আৱেগৰ দ্বাৰাই পৰিচালিত নহৈ কঠোৰ বাস্তৱবাদী চিন্তা আৰু ব্যৱস্থা নল'লে, ভাৰতীয় কিছুমান নেতাৰ আগ্ৰাসী পৰিকল্পনাৰ অজগৰৰ পেটত জাহ যাম। সাৱধান, সাৱধান, কালৰ সাৱধান বাণীলৈ কাণ দিয়ক সকলোৱে, বুৰঞ্জীৰপৰা শিক্ষা লওক। আমাৰ যুগ-জোৰা ঐক্যত ভাঙোন ধৰিলেই আমি নিশ্চিহ্ন হৈ যাম।

সম্প্ৰতি সুকীয়া বড়ো ৰাজ্য এখনৰ দাবী সৰৱ হৈ উঠিছে। "ডিভাইড আছাম ফিফ্‌টি ফিফ্‌টি" ধ্বনিও অমঙ্গলীয়া হৈ কাণত বাজিছে। তেনে নিজা ৰাজ্যৰ দাবী বুৰঞ্জীৰ ভেঁটিত সকলোৱে কৰিব পাৰিব। কোঁচ-ৰাজবংশী, চুটিয়া, মৰাণ, তিৱা, ডিমাছা, কাৰ্বিসকলৰ উপৰিও কায়স্থ, ভূঞাসকলৰো নিজ ৰাজ্য আছিল। অসমৰ কলিতাসকলৰো অৱস্থা পানীত হাঁহ নচৰা।



মাটি-ভেটি হীন, শৌৰ্য-বীৰ্যহীন, বুদ্ধি-বৃত্তিত পিছপৰা, বহুতেই লোকৰ আধি-বন্ধুৱা কৰি, দিন-হাজিৰা কৰি জীৱিকা উলিয়াইছে। কলিতাসকলে তাৰ বাবে আনৰ গাত দোষ জাপিবলৈ চেষ্টা কৰা নাই, নিজৰ অযোগ্যতা, অক্ষমতাকেই দোষ দি আহিছে।

সুকীয়া ৰাজ্যৰ এই আত্মঘাতী দাবীয়ে আমাক শতখণ্ড কৰিব। এতিয়াও আমাৰ সমূহীয়া সংকটৰ দিন পাৰ হোৱা নাই, এতিয়াও আমি সংখ্যালঘু হৈ সাংবিধানিক সুৰক্ষা লৈ জীয়াই থাকিবলগীয়া হ'ব পাৰে। সকলো চিন্তাশীল, দেশপ্ৰেমী, সুধী-সজ্জনে আগন্তুক লোকপিয়লৰ কথা মনত ৰাখি সতৰ্ক হওক। নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ যেন আমি নকৰোঁ।

আমাৰ অৰুণাচল, আমাৰ নাগালেণ্ড, আমাৰ দাঁতিকাষৰীয়া পৰ্বতীয়া এই অঞ্চলবিলাকৰ লগত অতীজৰেপৰা, আৰু বিশেষকৈ স্বৰ্গদেউ-সকলৰ ৰাজত্বকালত সুদৃঢ়, সুস্পষ্ট নীতিযুক্ত সম্প্ৰীতিৰ সম্পৰ্ক- কোনো কোনো ক্ষেত্ৰত ৰজাসকলৰ লগত বৈৱাহিক সম্পৰ্কও গঢ়ি উঠিল। তেওঁ-লোক কোনো কালতে চিন-তিব্বেত শ্যাম-ব্ৰহ্মদেশমুখী হোৱা নাছিল, ভৈয়ামৰ সম্পৰ্কৰ যোগেদি ভাৰতমুখীহে হৈ পৰিল। এতিয়াও উত্তৰ পূব অঞ্চল অসমৰ মাজেদিহে ভাৰতীয় হৈ আছে। বুৰঞ্জীৰ ধাৰা নুবুজা কিছুমান অত্যুৎসাহী শাসকে তেওঁলোকক অসম-বিদ্বেষী কৰি পোনে পোনে ভাৰতীয় কৰিবলৈ যোৱাৰ ফল ভৱিষ্যতে বিপৰীত হ'বগৈ পাৰে। এয়া মোৰ ভাৱা-বেগযুক্ত উক্তি নহয়, বুৰঞ্জীৰ সকীয়নি। আমাৰ লগত সীমা বিৱাদ লগাই তেওঁলোকক দিল্লীৰ ওচৰ চপাব পাৰিব, কিন্তু প্ৰকৃত দিল্লী সদায় দূৰতেই থাকি যাব।

অলপতে সদৌ অসম শিখ সন্থাৰ সভাপতি-সম্পাদক ডাঙৰীয়া-সকলে, চিঠিৰে অভিনন্দন জনোৱাৰ উপৰিও ব্যক্তিগতভাৱে সুযোগ পাই মোৰ ঘৰত পদাৰ্পণ কৰি শুভেচ্ছা জনালে। মই শুভেচ্ছা বাণীৰ উত্তৰত লিখিছিলোঁ যে অসমৰ শিখসকল নিজৰ যোগ্যতাৰে অসমীয়া, দেশৰ সমূহীয়া স্বাৰ্থৰক্ষাৰ কাৰণে হাদিৰাচকীৰপৰা আজিলৈকে নিজৰ প্ৰাণ উছৰ্গা কৰি আহিছে তেখেতসকলে। অলপতে নগাঁৱৰ নীলবাগানৰ পিছপৰা মুছলমান ৰাইজৰ সভাত ৰাইজৰ আদৰণিৰ উত্তৰত সেই কথাকে কৈছিলোঁ, মই যেনেকৈ ইয়াত বুৰঞ্জীয়ে চুকি নোপোৱা কোনো এটা দিনত আহি অসমীয়া হৈছিলোঁ, সেইদৰেই তেখেতসকলো নিজ যোগ্যতাৰে অসমীয়া; কোনেও তেখেতসকলক অসমীয়া কৰিব নোৱাৰে, আৰু অসমীয়া কৰিব

UKDISCD

নালাগেও। অসমৰ জাতীয় উৎসৱ-আনন্দৰপৰা জাতীয় দুৰ্যোগলৈকে সমানে যিসকলে মুকলি অন্তৰেৰে ভাগ ল'ব পাৰিছে, সেইসকলেই অসম-মাতৃৰ সন্তান, সেইসকলেই অসমীয়া। আমাৰ স্বৰ্গদেউসকলৰ দিনত মোগল আক্ৰমণ, মানৰ অত্যাচাৰ, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে আৰু ধৰ্ম-বৰ্ণ-গোষ্ঠী নিৰপেক্ষ শাসন নীতিয়ে আমাৰ বিভিন্ন ধৰ্ম-বৰ্ণ-গোষ্ঠীৰ লোক-সকলক অন্তৰেৰে এক কৰিছিল— মহাপুৰুষে সাহিত্য-সংস্কৃতিৰে সেইসকলক অভিন্ন কৰি তুলিছিল, আৰু তুলিছে। গতিকে বিপদ-দুৰ্যোগৰ এটা ইতি-বাচক ফাল সদায় আছে- ব্যক্তিগত জীৱনতো, পাৰিবাৰিক জীৱনতো আৰু জাতীয় জীৱনতো। সি যি হওক, শিখসকলৰ অভিযোগ হ'ল যে অনা-অসমীয়া শিখসকলে তেওঁলোকক "অসমীয়া শিখ সন্থা" নামটো উঠাই অকল "শিখ সন্থা" নাম দিবলৈ কোৱাতো তেখেতসকলে সেই কথা মনা নাই; অথচ নগাঁও, দৰং আদিৰ বাহিৰে আন ঠাইত তেখেতসকলক পাঞ্জাবী বুলি ভাবে। এইটোৰেই তেখেতসকলৰ প্ৰধান অভিযোগ— যদিও জন-সংখ্যা অনুপাতে তেখেতসকলৰ ছহিদৰ সংখ্যা, দেশৰ কাৰণে প্ৰাণ বলিদান দিয়া লোকৰ সংখ্যা, আনতকৈ অধিক। এইটো অৱশ্যে অজ্ঞতাৰ ফল, কাৰণ অসমৰ বহুতেই অসমীয়া শিখক দেখা নাই। এই অজ্ঞতা চাকৰি-বাকৰি শিক্ষা আদিলৈ সম্প্ৰসাৰিত নহ'লেই হ'ল।

অজনজাতীয় সকলতকৈ, বিশেষকৈ বাহিৰৰপৰা অহা ব্ৰাহ্মণ-কায়স্থ আদি লোকসকলতকৈ থলুৱা বাকীসকল মানুহ শিক্ষা-দীক্ষাত পিছপৰা। অতীততো এই অৱস্থাই আছিল- সেই কাৰণেই তেতিয়াৰ ৰজাসকলে বাহিৰৰপৰা ব্ৰাহ্মণ-কায়স্থ পণ্ডিতসকলক নিজ ৰাজ্যলৈ আনিব লগীয়া হৈছিল। ৰাজপৰিয়াল, ৰাজবিষয়া আদিৰ ল'ৰা-ছোৱালীয়ে এনে পণ্ডিতৰ তলত শিক্ষা লাভ কৰিব পাৰিছিল। সৰ্বসাধাৰণ ৰাইজে সেই সুবিধা নাপাইছিল।

কোনো কোনো সত্ৰৰ গুৰুসকলে বিভিন্ন জনগোষ্ঠীৰ মাজত মহা-পুৰুষীয়া ধৰ্ম-সংস্কৃতি-সাহিত্য প্ৰচাৰৰ ব্যৱস্থাত বহুখিনি আগবাঢ়িছিল যদিও মানৰ আক্ৰমণৰ পিছৰপৰা এই গতি প্ৰায় বন্ধ হৈ গ'ল।

ইংৰাজ শাসনৰ দিন ধৰি আমি সকলো শ্ৰেণীৰ লোকেই পিছপৰি ৰ'লোঁ। এতিয়া প্ৰয়োজন কৰ্মতৎপৰতাৰ আৰু আত্মবিশ্লেষণৰ; পৰস্পৰক দোষাৰোপ কৰাৰ সময় নহয়। স্বাধীনতা হেৰুওৱাৰ দিন ধৰি আমাৰ এই চেতনা আহিল যে একমাত্ৰ উমৈহতীয়া এই ভাষাটোৰ বান্ধেৰে আমি এক হৈ থাকিব পাৰিম। লগতে আমাৰ মানসত এই আতঙ্কও সোমাই



পৰিল যে কেতিয়াবা যদি এই সংযোগ-জৰীডাল ছিগি যায়, আমি নিশ্চিহ্ন হৈ পৰিম। আমাৰ মগ্ন চৈতন্যত চিৰ জাগ্ৰত এই শঙ্কাই প্ৰতিকূল পৰিবেশত উগ্ৰ ৰূপ ধাৰণ কৰি আহিছে। সেই কাৰণেই তাহানি হেমচন্দ্ৰ গোস্বামী-দেৱে কৈছিল, "অসমীয়া মানুহৰ খং তুলিবৰ হ'লে তেওঁলোকৰ ভাষাটোক গালি পাৰিলেই হ'ল।"

গতিকে আমি যিহেতু গোষ্ঠীগতভাৱে, প্ৰজাতিগতভাৱে, ধৰ্ম-বৰ্ণ-জাতগতভাৱে, মুঠতে কোনোফালৰপৰাই অসমীয়া নহয়, সেই কাৰণেই আমি প্ৰত্যেকেই অসমীয়া। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীলৈকে যিটো উমৈহতীয়া ভাষাক 'ভাষা', 'কথা', আদি নামেৰে চিনাক্ত কৰা হৈছিল, সেই তাৰিখৰ পৰাহে সেই ভাষাৰ নাম 'অসমীয়া'। যুগ যুগ ধৰি এয়ে আমাৰ একতাৰ ভাষা। বন্ধুসকল, আহক তেনেহ'লে, আমি প্ৰাণ খুলি জয়ধ্বনি দিওঁ বেজবৰুৱাৰ কবিতাৰ ভাষাৰেই "জয় আই অসম"।

যেতিয়া জাতি এটাই সকলোফালে বিকাশ লাভ কৰে তেতিয়া স্বাভাৱিকভাৱেই সেই জাতিৰ ভাষা-সাহিত্য-সংস্কৃতিৰ নৱজাগৰণ আৰম্ভ হয়, নৱ নৱ সৃষ্টিৰ উন্মেষ হয়। যি লোক সমষ্টি সকলো সময়তে অন্যায়-অবিচাৰৰ বলি হ'ব লগা হয়, প্ৰতি মুহূৰ্ততে অস্তিত্ব ৰক্ষাৰ চিন্তাত চঁকি থাকিবলগা হয়, সেই জাতিৰ বিকাশৰ সকলো পথেই বন্ধ হৈ যায়।

ভাৰত বিভাজনৰ ফল প্ৰতিজন ভাৰতীয়ই ভাগ কৰি ল'ব লাগিব- সীমামূৰীয়া দেশবিলাকতে ভগনীয়া জাপি দিলে নহ'ব। বঙ্গদেশে মাৰিছ জাপিৰপৰা দণ্ডকাৰণ্যলৈ কেনে কৌশলেৰে অতিৰিক্ত ভগনীয়া পঠিয়ালে, সৰ্বজনবিদিত। অসমৰ অতিৰিক্ত ভগনীয়াৰ ভাগ আন ৰাজ্যই ল'ব লাগিব। তথাপি বাংলা দেশৰপৰা প্ৰব্ৰজন বন্ধ হোৱা নাই। বিদেশী আইনখন ভাৰতৰ সকলো ৰাজ্যতে সমানে প্ৰযোজ্য নহয়; ইয়াতকৈ হাঁহিয়াতৰ কথা কি আছে? অসম দেশ কেন্দ্ৰৰ বহতীয়া ৰাজ্য নহয়; আন ৰাজ্যৰ দৰেই এই ৰাজ্যৰো সমান অধিকাৰ। প্ৰয়োজন হ'লে সংবিধানৰ নতুন নতুন সংশোধনী কৰিবই লাগিব। আমাৰ সংবিধানখন ভাৰতীয় জীৱনৰ ঘাত-প্ৰতিঘাতত স্বাভাৱিক ৰূপত সৃষ্টি হোৱা সংবিধান নহয়, ইয়াত পৰম্পৰাৰ ঠায়ো নাই, সকলো-বিলাকেই লিপিবদ্ধ ৰূপত। আমাৰ নেতাসকলে বিভিন্ন দেশৰ সংবিধানৰপৰা চাহিনী কাটি গঢ়ি তোলা আমাৰ সংবিধানখন মূলতে আছিল ভিক্ষাৰীৰ জোলোঙাহে। ফলত ঘনে ঘনে সংশোধনীৰ প্ৰয়োজন হৈছে আৰু হ'ব।

গণতান্ত্ৰিক শাসন পদ্ধতিও আমাৰ দেশত নতুন। পশ্চিমৰ শতকৰা এশজন শিক্ষিতৰ দেশৰ গণতন্ত্ৰক গোটে গোটে আনি শতকৰা ৮০ জন

OKDISCD

অশিক্ষিত আমাৰ দেশত বহুৱাই দিয়াৰ ফলত জনসংখ্যা বঢ়াবৰ কাৰণে অঘোষিত প্ৰতিযোগিতা আৰম্ভ হ'ল। গতিকে আমাৰ জন্ম-নিয়ন্ত্ৰণ আঁচনি ফুটা কলহ। ফলস্বৰূপে কোটি কোটি টকাৰ অপচয় হৈছে, আৰু বহুতৰ জেপ ভৰিছে। শিক্ষিতৰ মাজত জন্ম-নিয়ন্ত্ৰণ হৈছে সঁচা, সাধাৰণ অজ্ঞ লোকৰ জনসংখ্যা সমানে বাঢ়ি গৈছে। পৰিয়ালৰ মাত্ৰ তিনিটা সন্তানেহে ভোটাধিকাৰ পাব, এনে কঠোৰ নিয়ম সংবিধান সন্মত নকৰিলে, বা বাধ্যতামূলকভাৱে অস্ত্ৰোপচাৰ কৰি হ'লেও জন্ম-নিয়ন্ত্ৰণৰ ব্যৱস্থা নল'লে, ভাৰতৰ ভৱিষ্যত ভয়াবহ হ'ব। অলপতে 'চেন্টিনেল' কাকতত এনে আলোচনা আৰু চিঠি ওলাইছে। সৰ্বনিম্ন মেট্ৰিক পাছ শিক্ষা নোহোৱাসকলক ভোটাধিকাৰৰপৰা বঞ্চিত কৰিব লাগে বুলি মন্তব্য দিছিল শ্ৰীযুত গণেশ চন্দ্ৰ ফুকনদেৱে। মই আজি প্ৰায় কুৰি বছৰৰ আগতে 'দৈনিক অসম'ত প্ৰকাশিত এখন চিঠিত চতুৰ্থ সন্তানৰপৰা ভোটাধিকাৰ বঞ্চিত কৰিব লাগে বুলি পৰামৰ্শ দিছিলোঁ।

জন্ম-মৃত্যুৰ পঞ্জীয়ন বাধ্যতামূলক কৰি পাঠশালাত নাম লগোৱাৰ পৰা, চাকৰি আদিৰ ক্ষেত্ৰত, ভোটাৰ তালিকাত নাম ভৰ্তি কৰালৈকে সকলো ক্ষেত্ৰতে পঞ্জীয়নভুক্তিৰ নিদৰ্শনপত্ৰ দেখুওৱাটো বাধ্যতামূলক কৰিব লাগিব।

চাহ বাগানৰ অসমীয়াসকলৰ কাৰণে সুকীয়াকৈ ভবাৰ প্ৰয়োজন আমাৰ আছে, আৰু বহু বছৰলৈ থাকিব। গতিকে চাহ-অসমীয়া শব্দেৰেই এই সমাজখনক চিনাক্তকৰণ কিছু বছৰলৈ কৰি থাকিব লাগিব। বৰ্তমান এই সমাজখনৰ মাজৰপৰাই বহুতো শিক্ষিত ডেকা ওলাইছে, সেইসকলৰ মাজৰপৰা অসমীয়া সাহিত্যৰ আগশাৰীৰ লেখক, কবি, চিন্তাশীল লোক ওলাইছে। শ্ৰীযুত(সকল) সমীৰ তাঁতী, সনন্ত তাঁতী, নাৰায়ণ ঘটোৱাৰ, নয়ন ঘাটোৱাৰ, দীনেশ্বৰ তাছা, দেউৰাম তাছা, সুশীল কুৰ্মী, মেঘৰাজ কৰ্মকাৰ আদিয়ে নিজৰ সমাজক লৈ গল্প-উপন্যাস-নাটক ৰচনা কৰিবলৈ আগবাঢ়ি আহক। কাৰণ এইসকলৰ লেখনিত সমাজখনৰ মৰ্মবাণী যিদৰে ফুটি উঠিব, সমাজৰ দোষ-দুৰ্বলতাৰ চিত্ৰ যেনেদৰে এইসকলে সাহসেৰে দেখুৱাই দিব পাৰিব, এই সমাজৰ লগত সম্পৰ্কহীন এজনৰ লেখনিত সেইখিনি সম্ভৱ নহ'ব। মোৰ অভিজ্ঞতাৰপৰা কওঁ যে নিজ নিজ সম্প্ৰদায়ৰ সাহিত্যিকসকলে নিজ নিজ গোষ্ঠী বা সম্প্ৰদায়ৰ বিষয়ে গল্প-উপন্যাস আদি ৰচনা কৰিলেহে নিৰ্ভৰশীল সৃষ্টি সম্ভৱ হ'ব।

আমাৰ দেশত দুটা জনগোষ্ঠী, ধৰ্ম, সম্প্ৰদায়, জাত-কুলৰ দুজন লোকৰ মাজৰ ঘনিষ্ঠ বন্ধুত্বক ব্যক্তিগত বন্ধুত্ব বুলিয়েই সকলোৱে গণিতা কৰে। কিন্তু তেনে দুজন লোকৰ মাজত যেতিয়া শত্ৰুতা হয়, তেতিয়া নিজ



নিজ সম্প্ৰদায়, জাত-কুলক সংশ্লিষ্ট কৰি পেলোৱা হয়। এনে ক্ষেত্ৰত আমি লেখক সমাজ জনগোষ্ঠী সম্প্ৰদায়ক সাঙোৰা গল্প-উপন্যাস ৰচনাৰ ক্ষেত্ৰত সতৰ্ক হ'ব লাগিব।

এইখিনিতে আঞ্চলিক উপন্যাসৰ প্ৰশ্নটো উঠিছে। অধ্যাপক শ্ৰীৰংবং তেৰাঙৰ 'ৰংমিলিৰ হাঁহি'য়ে ভাৰতীয় যিকোনো ভাষাৰ আঞ্চলিক উপন্যাসৰ লগত সমানে আসন পাব। ইংৰাজী আদি ভাষালৈ ভাঙনি কৰিলে এই উপন্যাসে বিশ্বজুৰি সমাদৰ পাব বুলি মোৰ দৃঢ় বিশ্বাস। সেইদৰে ডাঃ জয়ন্ত ৰংপিৰ 'পুৱাতে এজাক ধনেশ' আন এখন অনবদ্য উপন্যাস। ডাঃ ৰংপিয়ে কলম এৰি দিয়াত আমাৰ সাহিত্যৰ ক্ষতি হৈছে।

বাহিৰৰপৰা গৈ ভিতৰত সোমাই সংবেদনশীল মন এটাৰে লিখা 'ডিয়ুং নদীৰ গীত', শ্ৰীমতী স্বৰ্ণ বৰাৰ ডিমাছাসকলৰ জীৱনধাৰাৰ বিষয়ে লিখা, ভৈয়ামৰ লগত সম্প্ৰীতি দেখুওৱা এক কাল্পনিক কাহিনীৰ বাস্তৱধৰ্মী উপন্যাস ; তেওঁৰ দ্বিতীয় উপন্যাস গাৰোসকলৰ জীৱন ধাৰাৰ ওপৰত লিখা 'চিমচাং নদীৰ হাঁহি' একমাত্ৰ অসমীয়া উপন্যাস। শ্ৰীনগেন বৰুৱাদেৱৰ ডিমাছা জীৱনৰ ওপৰত লিখা উপন্যাস উল্লেখনীয়। স্বৰ্গীয় ৰজনীকান্ত বৰদলৈদেৱৰ "মিৰি জীয়ৰী"য়েই আছিল আমাৰ আঞ্চলিক উপন্যাসৰ বাটকটীয়া, কিন্তু সেই ধাৰাটো এতিয়াও সমৃদ্ধ হোৱা নাই। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱৰ 'ঈয়াৰুঈঙ্গম'ৰ নতুন পৰিচয় নিষ্প্ৰয়োজন। আমাৰ অসমীয়া নেপালী সমাজৰ ক্ষেত্ৰতো একে কথাই খাটিব। নেপালী সমাজৰপৰা আমাৰ শিক্ষিত ডেকা-গাভৰু ওলাইছে, কবি-সাহিত্যিক ওলাইছে। শ্ৰীযুত গোবিন্দ চন্দ্ৰ পৈৰা ডাঙৰীয়া আমাৰ আৱাহনৰ যুগৰপৰাই চিৰপৰিচিত আৰু শক্তিশালী লেখক। সেইদৰে হৰিপ্ৰসাদ গোৰ্খাৰায় ডাঙৰীয়াও আমাৰ সাহিত্যত স্মৰণীয় গল্পকাৰ হৈ থাকিব। সম্প্ৰতি অধ্যাপক শ্ৰীযুত নীল বাহাদুৰ ছেত্ৰীয়ে 'ব্ৰহ্মপুত্ৰকা চেওচাও' নামৰ নেপালী ভাষাৰ উপন্যাসত, শ্ৰীযুত পুষ্পলাল উপাধ্যায়ে 'উষা-মঞ্জৰী' নামৰ কবিতা সংকলনত অকাডেমী বঁটা লাভ কৰি অসমৰ গৌৰৱ বঢ়াইছে। অৱশ্যে আমি এই দুখন কিতাপৰ অসমীয়া ভাঙনি বিচাৰোঁ। এইসকল আৰু এনেক্ষেত্ৰত আগবঢ়া শিল্পী-সাহিত্যিকসকলক অসম সাহিত্য সভাই স্বাগত জনায়।

শ্ৰীযুত বিশ্বনাৰায়ণ শাস্ত্ৰীৰ নামো গৌৰৱেৰে উল্লেখ কৰিছোঁ। তেখেতে সংস্কৃত ভাষাত উপন্যাস লিখি অকাডেমী বঁটা লাভ কৰিছে আৰু অসমৰ সংস্কৃত চৰ্চাৰ হেৰোৱা গৌৰৱ উদ্ধাৰ কাৰ্যত নিজৰ অৰিহণা

OKDISCD

আগবঢ়াইছে। এই উপন্যাসৰ অসমীয়া সংস্কৰণ লাগে। সংস্কৃত সাহিত্যত বিদগ্ধ কে'বাজনো পণ্ডিত আমাৰ মাজত আছে. সেইসকলক লৈ আমি গৌৰৱান্বিত। অধ্যাপক ড° মুকুন্দ মাধৱ শৰ্মা, শ্ৰীযুত ৰজনীকান্ত দেৱশৰ্মা আদিৰ নাম এই প্ৰসংগত উল্লেখযোগ্য।

এইসকলৰ নাম থাউকতে মনত পৰিলেও আমাৰ আৰু পণ্ডিত আছে, যিসকলে আৰ্থিক অসুবিধাত আমাৰ সাহিত্যলৈ একো দিব পৰা নাই।

বহুতে সংস্কৃত শিক্ষা বাধ্যতামূলক কৰাৰ কথা কয়। মই সেইসকলৰ লগত একমত হ'ব নোৱাৰি দুখ পাইছোঁ। এই মহামূল্যবান দেৱভাষা সকলোৰে কাৰণে মুকলি হৈছে, এয়েই হৈছে 'স্ত্ৰী-শূদ্ৰ'সকলৰ কাৰণে পৰম সৌভাগ্য। যাৰ আগ্ৰহ আছে তেৱেঁই শিকক।

অসমৰ বাহিৰৰ পটভূমিত ৰচনা কৰা গল্প-উপন্যাস আমাৰ কম। এইক্ষেত্ৰতো বেজবৰুৱাই আছিল আমাৰ বাটকটীয়া। তাহানিয়ে ড° ভবেন্দ্ৰনাথ শইকীয়াই লণ্ডনৰ খণ্ড খণ্ড অভিজ্ঞতাৰ মানবীয় আকৰ্ষণ-যুক্ত কাহিনী 'এই বন্দৰৰ আবেলি' আলোচনীত (বাতৰি কাকতত?) প্ৰকাশ হৈছিল, আৰু এতিয়া কিতাপ আকাৰত প্ৰকাশিত হোৱা বুলি বিজ্ঞাপনত পাইছোঁ। ড° মামণি ৰয়চম গোস্বামীৰ একাধিক প্ৰখ্যাত উপন্যাস অসমৰ বাহিৰৰ পটভূমিত লিখা। প্ৰান্তিকত ছোৱা ছোৱাকৈ প্ৰকাশিত হৈ থকা শ্ৰীযুত ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ "অনুৰাধাৰ দেশ" উৰিষ্যাৰ পাৰা দ্বীপৰ পটভূমিত লিখা উপন্যাস। শ্ৰীযুত প্ৰদীপ শইকীয়াৰ বৰ্তমান কিতাপ আকাৰে প্ৰকাশিত উপন্যাস "ওমৰ খায়াম" উল্লেখনীয় যি আমাৰ সাহিত্যৰ দিক্-মণ্ডল বহলাইছে।

ভ্ৰমণ কাহিনী অৱশ্যে সুকীয়া সাহিত্য। আমাৰ ভ্ৰমণ সাহিত্যও চহকী নহয়। আনৰ উদাহৰণ দিবলৈ নগৈ চুবুৰীয়া বঙলা ভাষাৰ ভ্ৰমণ কাহিনীলৈ মন কৰিলেই হ'ল, কিমান বৈচিত্ৰ্যপূৰ্ণ অভিজ্ঞতাৰে সমৃদ্ধ হৈছে এই ভাষাৰ ভ্ৰমণ সাহিত্য। আমাৰ শ্ৰীযুত দেৱেন্দ্ৰনাথ বড়াদেৱৰ দুই খণ্ডত সম্পূৰ্ণ ভ্ৰমণ কাহিনী "দেৱ ভূমি ভাৰত" এক অভিনৱ ভ্ৰমণ কাহিনী। সেইদৰে ড° নগেন শইকীয়াদেৱৰ "আমেৰিকাত দহ দিন" ভ্ৰমণ কাহিনীয়ে ক'বলৈ গ'লে ভুক্ৰুকাত হাতী ভৰাইছে। এইখনে ড° বিৰিঞ্চি কুমাৰ বৰুৱা, অধ্যক্ষ হেম বৰুৱাৰ ভ্ৰমণ কাহিনীৰ লগত স্থান পাব। দুঃসাহসিক অভিযানলৈ আমাৰ ডেকা-গাভৰুৰ দল আগবাঢ়ি কৃতকাৰ্যতা লাভ কৰিছে। তেনে অভিযানৰ ব্যক্তিগত অভিজ্ঞতা সম্বলিত কাহিনী প্ৰকাশ হোৱা নাই।



অসমীয়া সাধু-সন্ন্যাসী, সাধক-যোগীৰ সংখ্যা কম। মুধাফুটা দুই-এজন আমাৰ আছে, কিন্তু সাধাৰণতে প্ৰকাশ-বিমুখ তেখেতসকলৰপৰা আধ্যাত্মিক জীৱনৰ অভিজ্ঞতাক লৈ কোনো গ্ৰন্থ আমি পোৱা নাই। বঙলা ভাষা এই ক্ষেত্ৰত যথেষ্ট সমৃদ্ধ। প্ৰকৃততে এয়াও একপ্ৰকাৰ ভ্ৰমণ কাহিনী-আধ্যাত্মিক জগতত। ভূত-প্ৰেত, তন্ত্ৰ-মন্ত্ৰৰ অভিজ্ঞতাক লৈ ৰচনা কৰা বিশ্বাসযোগ্য লেখকৰ কাহিনীয়ে সাহিত্যৰ বৈচিত্ৰ্য বঢ়াব।

আমাৰ পিছপৰা মুছলমান সম্প্ৰদায়ক লৈ উপন্যাস-গল্প আদি লিখাৰ ক্ষেত্ৰতো একেধৰণৰ সমস্যা আহিব। এইসকলৰ মাজৰপৰা বহুতো সাহিত্যিক, কবি, সমালোচক, শিক্ষক, অধ্যাপক, দেশ নেতা ওলাইছে আৰু পুৰণি অসমীয়া মুছলমানসকলক গুণগতভাৱেও তেখেতসকলে চেৰ পেলাবলৈ আৰম্ভ কৰিছে। এওঁলোকক লৈয়ে আজি অসমত 'পলিটিক্স'। যোৱা আন্দোলনত এওঁলোকৰ বহুতকে 'বিবেক পুৰি খোৱা' নেতাসকলে উচটনি দি আন্দোলনৰ উদ্দেশ্য সম্পৰ্কে ভুল বুজাই আওবাটে নিছিল। সুযোগ সন্ধানীসকলে এওঁলোকক লৈ ন ন প্ৰলোভনো দেখুৱাই আহিছে, আৰু ধৰ্মীয় অনুভূতিৰ সুযোগ লৈছে। মাতব্বৰসকলে এওঁলোকৰ ওপৰতে মাত-ব্বৰি কৰি আহিছে। গতিকে সেইসকলৰ মাজৰে সাহিত্যিকসকলে এওঁ-লোকৰ জীৱনধাৰাক লৈ, (আমাৰ প্ৰতিষ্ঠিত মুছলমান সাহিত্যিকেও) গল্প-উপন্যাসৰ মাজেদি এই সমাজখনক মূল সুঁতিলৈ আনক, আৰু ভুল বুজা-বুজি আঁতৰাওক।

ধৰ্মৰ বিভিন্নতা আছেই, আৰু থকা উচিত। কিন্তু ধৰ্মসমূহৰ মূল ঐক্যৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। ধৰ্মীয় ঐক্য দেখুৱাবলৈ গৈ অথবা সনা-পোটোকা কৰি কোনো ধৰ্মৰে বিকৃত ব্যাখ্যা দিয়া উচিত নহয়।

আমাৰ প্ৰত্যেক জনগোষ্ঠীৰ লোকেই নিজস্ব গৌৰৱ আৰু ঐতিহ্যৰ অধিকাৰী। আমাৰ এনে কিছুমান উপমা-পটন্তৰ প্ৰচলিত, যিবিলাকে কোনো কোনো জনগোষ্ঠীৰ অনুভূতিক আঘাত কৰে। আনকি আমাৰ প্ৰসিদ্ধ সাহিত্যিকসকলৰ লেখাতো এনে অনুভূতিক আঘাত কৰা শব্দ আছে বা অজ্ঞাতে ব্যৱহাৰ কৰা হৈছে। অত্যাচাৰৰ ক্ষেত্ৰত 'মান-মৰাণক' একে শাৰীতে লোৱাৰ প্ৰৱণতা এটা আমাৰ পুৰণি সমাজত আছিল; গতিকে সেই সমাজৰ সাহিত্যিকৰ ৰচনাতো সি প্ৰকাশ পাইছিল। ইয়াৰ দ্বাৰা মৰাণ সকলৰ গভীৰ দেশপ্ৰেমক আঘাত কৰা হৈছে, আৰু মৰাণ ছাত্ৰ সন্থাই এই সম্পৰ্কে সাহিত্য সভাক অভিযোগপত্ৰও দিছে। আমাৰ ভৱি-ষ্যতৰ সাহিত্যিকসকল শব্দ-ব্যৱহাৰত অধিক সতৰ্ক হোৱা উচিত।

OKDISCD

এতিয়ালৈকে মোৰ কথাখিনিত সাহিত্যতকৈ জীৱনৰ ওপৰতহে গুৰুত্ব পৰিছে বেছি। সাহিত্য আলোচনাত আমাৰ জীৱনধাৰা, জীৱনধাৰাক আগুৰি ধৰা নানান সমস্যাৰ আলোচনা অতি প্ৰয়োজনীয়। সাহিত্য জীৱনৰ সন্তান, 'জীৱন' সাহিত্যৰ সন্তান নহয়। আমাৰ সাহিত্য আমাৰ এই জীৱনৰ সন্তান। জীৱনৰপৰাই সাহিত্যই ৰস আহৰণ কৰি শক্তি পুষ্টি লাভ কৰে, আৰু ওলোটাই জীৱনৰ ওপৰত জন্মৰ ঋণ পৰিশোধ কৰে। আন কথাত, প্ৰকৃত জাতীয় সাহিত্যই জাতীয় জীৱনক প্ৰভাৱান্বিত কৰে, জাতীয় জীৱনক গঢ় দি, সুনিয়ন্ত্ৰিত কৰে, শক্তি, সাহস, প্ৰেৰণা, উদ্দীপনা দিয়ে। সাহিত্য-কলা-শিল্পই জাতীয় জীৱনক সৰ্বাঙ্গসুন্দৰ কৰে, পৰিপূৰ্ণতা দিয়ে। সাহিত্য-সংস্কৃতি বিহীন জাতি এটা সকলো শক্তিৰ অধিকাৰী, বহু দক্ষতাৰ অধিকাৰী হৈও অপৈণত অৱস্থাত তলৰ খাপতে থাকিব লগা হয়। সভ্যতাক আহৰণ কৰি ল'ব পাৰি, কিনিবও পাৰি ; কিন্তু সুকুমাৰ কলাৰ বিকাশ আৰু কৰ্ষণৰ স্থল নিজ নিজ অন্তৰবিলাকহে।

এতিয়ালৈকে কৰা আলোচনাত আমাৰ ক্ষত-বিক্ষত জৰ্জৰিত জাতীয় জীৱনৰ থূলমূল ধাৰণা এটা দিবলৈ চেষ্টা কৰিছিলোঁ। 'অসম সাহিত্য সভা' জাতীয় অনুষ্ঠানেই নহয়, ই এটি মহাজাতীয় অনুষ্ঠান হ'বলৈ আগবাঢ়িছে। এই অনুষ্ঠানৰ সভাপতি আৰু কৰ্মকৰ্তাসকল, ৰাইজে গণতান্ত্ৰিক পদ্ধতিৰে বাছি দিয়া ৰাইজৰ প্ৰতিনিধি। গতিকে সাহিত্য সভাৰ লোকসকল কোনো ধৰ্ম, বৰ্ণ, গোষ্ঠী, জাত-কূল, ৰাজনৈতিক আদৰ্শৰ প্ৰতিনিধি নহয় ; একমাত্ৰ সাহিত্য সভাৰ আদৰ্শৰ বাহকহে। যদি কোনোৱে ইয়াৰ বিপৰীত আচৰণ কৰে, তেনে লোক সভাৰ শত্ৰু, ৰাইজৰ শত্ৰু। সাহিত্য সভা সাহিত্যিকৰ সভা মাত্ৰ নহয়, ই সকলো সাহিত্যপ্ৰেমী, ভাষাপ্ৰেমী, দেশপ্ৰেমী ৰাইজৰ উমৈহতীয়া মিলন ভূমি। এক ঐতিহাসিক প্ৰয়োজনৰ গুৰু দায়িত্ব জন্ম-লগ্নৰপৰাই এই সভাৰ কান্ধত। যিসকলে যুগে যুগে কঠোৰ পৰিশ্ৰম কৰি দুবেলা দুমুঠিৰ সংস্থান কৰি আহিছে, যিসকলে পদূলিয়ে পদূলিয়ে টোকাৰি বজাই মুখে মুখে গীত ৰচনা কৰি ভিক্ষা মাগি খাইছে ; বিপদত, সম্পদত, ৰোগত, স্বাস্থ্যত, যুদ্ধত, শান্তিত সকলো সময়তে সাহিত্যৰ মাজেদি, গীতৰ মাজেদি, কবিতাৰ মাজেদি উৎসাহ, সান্ত্বনা, শক্তি, সাহস লাভ কৰি আহিছে, সেই ৰাইজ, সেই জনগোষ্ঠী সাহিত্য সভালৈ আহিলে দা-কটাৰী আদি বেছি বিক্ৰী হোৱা বতৰা আমাৰ কাকতত প্ৰকাশ পায়! তেনে পতনুৱা সাং-বাদিকসকলে পাহৰি যায় যে আজিৰ সভ্যতাৰদ্বাৰা অৱহেলিত, এই দলিত-শোষিত-খেতিয়ক-বনুৱা-মুনিহ-তিৰোতায়েই আমাৰ মহান সংস্কৃতিৰ, আমাৰ



মহান সাহিত্যৰ ঐতিহ্যৰ বাহক হৈ আহিছে যুগে যুগে। মহাপুৰুষ দুজনাৰ কৃপাত অতি নিঃকিন, অতি সামান্যজনেও এক মহত্ত্বপূৰ্ণ জীৱনৰ চকা-মকাকৈ হ'লেও পোহৰ দেখিবলৈ সমৰ্থ হৈ আহিছে, নিজক ধূলিৰ তলৰ ধূলি বুলি জানিও এই বিশ্বাস লৈ জীৱনৰ বাট বুলিব পাৰিছে যে মহান সৃষ্টিকৰ্তাৰ কৃপাকণা জীৱনত এদিন পৰিবই–

"তোকো নেপাহৰে প্ৰিয়তকৈ প্ৰিয়ই তোৰ
আদৰি ল'বহি তুলি।"

আমাৰ এই দা-কটাৰী-নাঙল লোৱা লোকসকলেই মুখত কবিতা, হাতত কলম লৈ ফুৰা লোক। মাধৱদেৱ পুৰুষে নিজে খেতি-বাতি কৰিছিল, তামোল-পাণৰ বেপাৰো কৰিছিল ; ভৱানন্দ মুদৈ আছিল বৰ সদাগৰ, কিন্তু আগ বয়সত তামোল-পাণ, ছাগলীৰ বেপাৰ কৰিহে বৰ সদাগৰ হৈছিল, আৰু তেতিয়াও নিজৰ অঞ্চলৰ কবি পীতাম্বৰ দ্বিজৰ কবিতা মুখে মুখে শ্ৰীমন্ত শঙ্কৰদেৱৰ আগত গাই শুনাব পাৰিছিল। পিছত নাৰায়ণ ঠাকুৰ হৈ ভৱানন্দ সদাগৰে অসমৰ ধৰ্ম-সংস্কৃতি-সাহিত্যৰ ক্ষেত্ৰত যি বৰঙণি যোগাই গ'ল, সেই কথা আমাৰ ধৰ্ম-সংস্কৃতি-সাহিত্যৰ বুৰঞ্জীত সোণোৱালী আখৰেৰে লিখা ৰ'ল। বেজবৰুৱায়ো সম্বলপুৰত এহাতে কুঠাৰ এহাতে কলম লৈ অমৰ সাহিত্যৰ সৃষ্টি কৰি গ'ল।

আহক, আমি সকলোৱে একমুঠ হৈ এই মহান দেশৰ মহান ঐতিহ্য ৰক্ষা কৰোঁ। সুকীয়া সুকীয়াকৈ, গাই-গোটা পেটে ভঁৰাল হৈ আমাৰ অসংখ্য প্ৰজাতি, ধৰ্ম-গোষ্ঠী, ভাষা গোষ্ঠীৰ লোক কেতিয়াও তিষ্ঠি থাকিব নোৱাৰিম, কাল-লুইতে সকলোকে উটুৱাই লৈ যাব।

আমি ভাগৰি পৰিলে নচলিব, আমি শুই পৰিলে সেয়ে হ'ব আমাৰ শেষ শয়ন,– আমি মৰি মৰি জী উঠিব লাগিব, আমি পৰি পৰি থিয় হ'ব লাগিব ঃ

"মৰিও নমৰে পৰিও নপৰে বাণ-ভগদত্ত-চুকাফা জাত,
গৃহ-কন্দলত জ্বলা-কলা আজি নহ'লে কোনেনো দিয়েহি হাত।"

–কবিৰ এই বাণী আমাৰ কাৰণে সঞ্জীৱনী, চিৰ আশাৰ বাণী।

যুগৰ পৰিবৰ্তন হ'ল– বিজ্ঞানৰ চমক্‌প্ৰদ আৱিষ্কাৰে আমাৰ পৃথিবীখন সৰু কৰি পেলালে, আমাৰ জীৱনধাৰা, চিন্তা-ধাৰাত পৰিবৰ্তন আহিল, সেয়ে হ'লেও আমি এই মাটি, এই পানী, এই বোকা, এই কোৰ-কটাৰীৰপৰা আঁতৰি থাকিব নোৱাৰো। আমাৰ সাহিত্যত বিশ্বৰ বিভিন্ন সাহিত্যৰ ভাৱধাৰাৰ খলকনি লাগিল; পোনপটীয়া আওপকীয়া প্ৰভাৱ আহিল,

GKDISCD

আমাৰ ভাষালৈ নতুন নতুন শব্দ আহিল, সাহিত্যত নতুন নতুন আদৰ্শ, চিন্তাৰ সমাগম হ'ল আৰু উপযুক্ত ভাৱ প্ৰকাশক শব্দৰ সৃষ্টি, আমদানি হ'ল। ইংৰাজী ভাষাৰ প্ৰভাৱত আন আন বিষয়বস্তু, ফৰ্মৰ লগতে ইংৰাজী বাক্য গাঁথনিৰো প্ৰভাৱ আমাৰ বাক্য গাঁথনিত পৰিল। এই প্ৰভাৱ 'আৱাহন'ৰ কালৰপৰাই অনুভূত হৈছিল– যদিও ৰামধেনু যুগত আৰু প্ৰকট হৈ পৰিল। অৱশ্যে স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ আৰু ড° কাকতিৰ ভাষাতে এই প্ৰভাৱ স্পষ্ট। সম্প্ৰতি সাপ্তাহিক, পষেকীয়া বিভিন্ন ধৰণৰ কাকতৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে সংবাদপত্ৰধৰ্মী এটা শক্তিশালী গদ্যৰ সৃষ্টি হৈছে– যাক সুকীয়াকৈ আমি সংবাদপত্ৰধৰ্মী গদ্য আখ্যা দিব পাৰোঁ। কোনো কোনো চিন্তাশীল সংবাদপত্ৰধৰ্মী লেখকে এই গদ্যত ইংৰাজী-আমেৰিকান গদ্যৰ ঠাঁচ আৰু অসমীয়া নিজা গদ্যৰ ঠাঁচৰ এটা মিহলি ৰূপ দিবলৈ চেষ্টা কৰি কৃতকাৰ্য হৈছে, আৰু ভাষাটোও শক্তিবান, প্ৰাঞ্জল, প্ৰসাদ গুণসমৃদ্ধ হৈ পৰিছে। অৱশ্যে নতুন নতুন শব্দই পুৰণি বহুত শব্দক হেঁচুকি নিছে– আনহাতে বাংলা গদ্যৰ পোনপটীয়া প্ৰভাৱো আমাৰ দৃষ্টি-কটু আৰু কাণত বজাধৰণৰ হৈ পৰিছে। 'দেশ'-ভক্ত কেইজনমানৰ ৰচনাত বঙলুৱা প্ৰভাৱ জীণ নোযোৱা ধৰণৰ। সময়ত আমাৰ ভাষাৰ নিজা কালিকা যাতে হেৰাই নাযায়, সেইফালেও আমাৰ লেখকসকলে চকু ৰাখিব লাগিব।

শিক্ষা-বিস্তাৰৰ গতি স্বাভাৱিকতে লেহেম হোৱাত– এতিয়াৰ সাহিত্যৰ ভাষাই আগৰদৰে সৰ্বসাধাৰণৰ হৃদয় স্পৰ্শ কৰিবপৰা নাই– দশম, কীৰ্তন, পুৰণি নাটৰ ভাষাই সংস্কৃত, ব্ৰজবুলি শব্দ লৈও যিদৰে জনগণৰ অন্তৰত স্থান লৈ আহিছিল।

আমাৰ ভাষাত আৰবী-ফাৰ্চী মূলীয় শব্দ শ্ৰীশঙ্কৰদেৱৰ বহু বছৰৰ আগৰপৰাই– হেম সৰস্বতীৰ ৰচনাৰপৰাই ব্যৱহৃত হৈছে। শ্ৰীশঙ্কৰদেৱৰ ৰচনাতো ওৱাচিল, বাঞ্চি, ফৰ্মান, চাহাব, চাকৰি, দোকান, দোকানী আদি বহুত ফাৰ্চী শব্দৰ ব্যৱহাৰ হৈছে। ইংৰাজৰ শাসন কালত শাসন, আইন, সংস্কৃতি সম্পৰ্কীয় বহুত ফাৰ্চী শব্দ, ইংৰাজী ভাষাৰ শব্দৰ লগতে ব্যৱহৃত হৈ আমাৰ ভাষাত জীণ গ'ল– আইন, আদালত, কেৰাণী, মহৰী, উকীল, হাকিম, মুঞ্চুপ, দপ্তৰ (দোপদৰ), খানা, থানা, নাস্তা, পিৰিছ, পিয়লা, দলিল, দস্তাৱেজ, হাকিম, চাহাব, কাগজ, কলম, চিয়াহী, এনে অসংখ্য শব্দ। আমি এতিয়া বৰচাহাব, মাটিৰ হাকিম আদি শব্দবোৰ এৰি নতুন কিছুমান শব্দ ব্যৱহাৰ কৰিবলৈ ল'লো।

নতুন নতুন বৈজ্ঞানিক পৰিভাষা ভাৰতীয় ভাষাত সৃষ্টি কৰি লোৱা হ'ল। এনে শব্দৰ ক্ষেত্ৰত ইংৰাজী আন্তৰ্জাতিক শব্দবোৰকে আমিও ব্যৱহাৰত ৰখা উচিত হ'লহেঁতেন বুলি ভাবোঁ। ইংৰাজী ভাষা আমি বহু বছৰলৈ, ভৱিষ্যতৰ বহু যুগলৈ ৰাখিব লাগিব, নহ'লে জ্ঞান-বিজ্ঞানৰ জগত-খন সীমাবদ্ধ হ'ব। 'ইংৰাজী হটাও'ৰ দলত মই নাই। আমাৰ ল'ৰাই ইংৰাজী ভাষা যত্নেৰে শিকা উচিত,– শিক্ষাৰ মাধ্যম হিচাপে নহয় অৱশ্যে। মোৰ নিজা মত এয়ে যে, ইংৰাজী ভাষা এদিন ভাৰতৰপৰা গ'লে সৰ্বভাৰতীয় ঐক্যও ঠান-বান হ'ব– যি ঐক্য, সংস্কৃত ভাষা, এই ভাষাত ৰচিত মহান শাস্ত্ৰবোৰ, পুৰাণ, কাব্য, মহাকাব্যয়ো আনিবপৰা নাছিল। যদি হেজাৰ বছৰৰ আগৰেপৰা সংস্কৃত জনসাধাৰণৰ মাজত প্ৰচাৰৰ কাৰণে মুকলি থাকিলহেঁতেন, তেন্তে আজি বোধকৰো সংস্কৃত ভাষায়েই ইংৰাজীৰ স্থান ল'লেহেঁতেন। ইংৰাজী বহুত শব্দও– আমি কৃত্ৰিম অসমীয়া বা ভাৰতীয় হ'বলৈ গৈ– আমাৰ ভাষাৰপৰা দূৰ কৰিব নালাগে। ওৱাৰ্ড্ৰব, ফ্ৰীজ, ৰেডিঅ', টি-ভি, বাকচ, গিলাছ, বুটাম, গুডাম, চাদৰৰ ফলচ্, এমব্ৰইদাৰী আৰু এই সম্পৰ্কত ব্যৱহৃত শব্দাৱলী, কাপ, পিলেট– আদি অসংখ্য শব্দ– (ইংৰাজী বা ইংৰাজী মূলৰ) আমাৰ দৈনিক ব্যৱহাৰত সোমাই গ'ল। পৰ্তুগীজ 'আলমিৰা'ই 'আলমাৰী' হৈ আমাৰ শোৱনী কোঠাৰ চুক শুৱনী কৰিছে। পৰ্তুগীজ 'আনাৰস', ৰসযুক্ত হৈ আমাৰ জিভাত সোৱাদ দি আহিছে– যি সোৱাদ 'মাটিকঠালে' দিব নোৱাৰিলে। পৰ্তুগীজ 'বালিটি'য়ে আমাৰ পাকঘৰৰ লোটা-কলহকো আঁতৰালে।

সেইদৰে বিভিন্ন জনজাতীয় ভাষাৰ নতুন নতুন শব্দও আমাৰ ব্যৱহাৰলৈ অনা উচিত। তাহানি বৰদলৈদেৱে 'মিৰি জীয়ৰী'ত মিচিং ভাষাৰ বহুতো শব্দ ব্যৱহাৰ কৰিছিল। এতিয়াৰ শ্ৰীযুত ছামছিং হাঞ্চে, শ্ৰীমতী জ্যোৎস্না সোণোৱাল আদিয়েও কবিতাত নিজ নিজ ভাষাৰ শব্দ ব্যৱহাৰ কৰি আহিছে। এনে জনজাতীয় শব্দৰ একোটা তালিকা বাতৰি কাকতৰ সম্পাদকলৈ বছৰি পঠিওৱাৰ ব্যৱস্থা কৰিলে, আৰু কাকতবিলাকে এই শব্দ ব্যৱহাৰলৈ আনিলে সৰ্বসাধাৰণৰ ব্যৱহাৰত সোমাই পৰিব। ভৱিষ্যতৰ অভিধানত এই শব্দবোৰে স্থান পাব লাগিব।

শব্দ সম্পদ বঢ়াৰ লগে লগে আখৰ জোঁটনিৰ সমস্যাও আহিব। আমাৰ আখৰ জোঁটনিৰ খেলি-মেলি আছেই। উচ্চাৰণ কেনেধৰণৰ হ'ব? দন্ত্য-মূৰ্ধণ্য বৰ্গৰ উচ্চাৰণৰ পাৰ্থক্যৰ ওপৰত গুৰুত্ব দিম নে মাথোন দন্ত্য বৰ্গকে আমাৰ বৰ্ণমালাত ৰাখিম? আমাৰ পাঠশালা-স্কুলবিলাকত উচ্চা-ৰণত গুৰুত্ব দিয়া হয়নে? আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপযুক্ত প্ৰশিক্ষণ-

প্ৰাপ্ত হয়নে? ৰিফ্ৰেছাৰ ক'ৰ্চৰ ব্যৱস্থা নিয়মীয়া কৰিব পাৰিনে? শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বছৰেকীয়া একোটা পৰীক্ষা পাতি তেওঁলোকৰ কৰ্ম-কুশলতা চাইহে বছৰি দৰমহা বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে। শিক্ষক নিয়োগ, স্থানান্তৰ কাৰ্যত শ্ৰেণীবদ্ধ নিৰিখৰ ব্যৱস্থা থকাৰ কেলেঙ্কাৰী ঘুনুক-ঘানাকৈ শুনা যায়; সেই সম্পৰ্কে শিক্ষা বিভাগে চোকা দৃষ্টি ৰাখিব লাগে, আৰু চোৰাংচোৱা নিয়োগ কৰি তেনে কাৰ্যৰ সত্যতা পৰীক্ষা কৰাব লাগে। উপযুক্ত প্ৰাথমিক শিক্ষাই আমাৰ জাতীয় জীৱনৰ ভেটি। পাঠশালা স্কুলবিলাকত চলন্ত পুথিভঁৰালৰ ব্যৱস্থা কৰিব লাগে। তাহানি ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱে এম, ই, এম, ভি স্কুলত এই ব্যৱস্থা কৰিছিল। নিজা পুথিভঁৰাল নোহোৱাকৈয়ো আমাৰ এল, পি স্কুলৰ শিক্ষক-ছাত্ৰ উপকৃত হোৱাকৈ নতুন নতুন বিষয়ৰ সাধাৰণ জ্ঞান, এই উপায়েৰে লাভ কৰাত সহায়ক হ'ব।

উচ্চাৰণ, আখৰ জোঁটনি আদি প্ৰশ্নৰ লগত এখন নিৰ্ভুল, বিজ্ঞান-সন্মত অভিধানৰ প্ৰশ্নটো আহি যায়। চন্দ্ৰকান্ত অভিধানৰ নতুন সংস্কৰণত বহুতো ভুল থকাৰ কথা কাকতত ওলাইছে। সেই ভুলৰ শুধৰণি দি এখন তালিকা অভিধানৰ পিছফাললৈ সংযোজিত কৰিব যদি পাৰি, তেনেহ'লে বিশ্ববিদ্যালয়ে তৎকালেই সেই ব্যৱস্থা কৰক। এখন ভাল অভিধান নহ'লে আমি কোঙা হৈ পৰিম। অভিধান প্ৰণয়নত এখন নিজা সচিবালয় আৰু অবিৰাম গৱেষণাৰ ব্যৱস্থা থাকিব লাগে। আমাৰ দৰে দুখীয়া দেশত এনে কাম হাতত লোৱা টান। তথাপি আমাৰ সুযোগ্য পণ্ডিতসকলক লৈ মাজে মাজে বিশ্ববিদ্যালয়, সাহিত্য সভাই অভিধান সম্পৰ্কীয় আলোচনাৰ ব্যৱস্থা কৰিব পাৰে। বিশ্ববিদ্যালয় শিক্ষা আয়োগৰপৰাও কিবা আৰ্থিক অনুদান পাব পাৰি নেকি, তাৰ চেষ্টাও কৰিব লাগে।

অসমীয়া মানুহ কিয় আজি সাহিত্যবিমুখ হ'ল, এই প্ৰশ্নৰ উত্তৰত বহুতো কথা ক'ব পাৰি। কিন্তু মোক যদি সোধে, মই একে আষাৰেই ক'ম যে যোৱা ডেৰকুৰি বছৰৰ পাঠ্য-পুথিয়েই (হাইস্কুলৰপৰা কলেজলৈ) ইয়াৰ প্ৰধান কাৰণ। পাঠ্য-পুথিতকৈও, পাঠ্য-তালিকাবিলাকে ছাত্ৰ-ছাত্ৰীসকলক চিৰকালৰবাবে অসমীয়া সাহিত্যবিমুখ কৰি তুলিলে। আমাৰ পাঠ্য-তালিকাত পাণ্ডিত্য আছে কিন্তু কল্পনা নাই।

পাঠ্যপুথি প্ৰসঙ্গত শিশু-সাহিত্যৰ প্ৰশ্নটোও আহি গ'ল। আমি আমাৰ ল'ৰা-ছোৱালীবিলাকৰ কাৰণে কি কৰি আহিছোঁ, এই কথা নিজক সুধিলেই হ'ল। সামৰ্থ্য থকাসকলেও ল'ৰা-ছোৱালীক কিতাপ কিনি নিদিওঁ আৰু দিবলৈ ইচ্ছা কৰাসকলে উপযুক্ত কিতাপ নাপায়। প্ৰকৃততে অকণিহঁতৰ মনৰ কল্পনাৰ লগত খাপ খোৱাকৈ কিতাপ লিখা সাহিত্যিকেই বা আমাৰ কেইজন? ডাঙৰৰ কাৰণে লিখা ভাষাতে 'বুজিছানে'! 'মৰমৰ অকণিহঁত' আদি চেনি-মিঠৈ সানি তেওঁলোকক দিবৰ চেষ্টা চলিল চল্লিছৰ পৰা পঁচপন্ন চন মানৰ সময়খিনিত। অৱশ্যে যোৱা দহ বছৰমানৰপৰা এই বিষয়ত আশাৰ সঞ্চাৰ হৈছে। তাহানিতে বাণী প্ৰকাশে শিশু সাহিত্যৰ এটি সংকলন প্ৰকাশ কৰিছিল, তাৰ পিছত শ্ৰীযুত ৰত্ন ওজা আদিৰ দ্বাৰা সম্পাদিত হৈ "ৰং আহে পাখি মেলি" সংকলন প্ৰকাশ হৈছিল। শ্ৰীযুত নৱকান্ত বৰুৱা, শ্ৰীমতী নিৰ্মলপ্ৰভা বৰদলৈয়ে কিন্তু অকণিহঁতক পাহৰা নাই। নৱকান্ত বৰুৱাৰ দ্বাৰা সম্পাদিত "মৰুৱাফুল" এখন উল্লেখযোগ্য শিশুৰ উপযোগী কবিতাৰ সংকলন। বৰদলৈৰ কে'বাখনো কিতাপ মইনাহঁতৰ লগৰী। বৰ্তমানে সঁফুৰা, মৌচাক, মুকুতা মইনা আদি শিশু আলোচনীয়ে, আৰু বাতৰি কাকতবিলাকৰ শিশু বিভাগে অকণিহঁতৰ প্ৰতি বাঢ়ি অহা সজাগতাৰ কথাই প্ৰমাণ কৰিছে। শিশু সাহিত্যত যোৱাটো দশকত বিভিন্ন গৰাকী লেখক-লেখিকাই একাণপতীয়াকৈ অৰিহণা আগবঢ়াই আহিছে। সকলোৰে নাম উল্লেখ কৰিব নোৱাৰি মই দুঃখিত।



চেমনীয়াসকলৰ উপযোগী দুঃসাহসিক কাহিনী, যুদ্ধৰ কাহিনী, বিভিন্ন অভিযানৰ কাহিনী, দুৰ্গম যাত্ৰাৰ কাহিনী, ডিটেকটিভ আৰু ৰহস্য কাহিনী, বিজ্ঞানৰ বিচিত্ৰ কাহিনীৰ প্ৰয়োজনো অধিক হৈ পৰিছে। 'বিস্ময়', 'ৰহস্য' আদি আলোচনীয়ে চেমনীয়া আৰু আন বহুতৰ মাজত পঠনৰ আগ্ৰহ বঢ়াই তুলিছে। এনেধৰণৰ সাহিত্যত একাণপতীয়াকৈ লাগি থকাসকলৰ ভিতৰত শ্ৰীদীন তামুলী, শ্ৰীসত্যৰঞ্জন কলিতা, শ্ৰীৰঞ্জু হাজৰিকা আদিৰ নাম ল'ব পাৰি। অৱশ্যে হ'ৰৰ বা বিভীষিকাৰ কাহিনীয়ে চেমনীয়াৰ মনত বিপৰীত প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিব পাৰে, এই কাহিনীটোলৈ লেখকসকলে লক্ষ্য ৰাখিব লাগে।

বিজ্ঞান বিষয়ক ল'ৰা-ছোৱালীৰ উপযোগী কিতাপ-আলোচনী আমাৰ ওলাইছে– এইটো অতিকৈ আশাৰ কথা। আমাৰ দেশত বৈজ্ঞানিক চিন্তাধাৰা এটা পাশ্চাত্য প্ৰভাৱেও গঢ়ি তুলিব পৰা নাই। বিজ্ঞানৰ আৱিষ্কাৰসমূহ আমাৰ কাৰণে অলৌকিক, মেজিক, পৰম বিস্ময়। হেজাৰ হেজাৰ বছৰ ধৰি আমি ঢেকী-উৰালত বনা-খুন্দাৰ কাম কৰিছোঁ, গৰু-গাড়ী, ঘোঁৰাগাড়ী, হাতীৰে যাতায়াত কৰিছোঁ, নাও-ভুৰেৰে নৈ পাৰ হৈছোঁ, দূৰৰ খাল-নৈ পুখুৰীৰ পানী আনি ব্যৱহাৰ কৰিছোঁ বা ঘৰতে নাদ, পাটকুঁৱা বহুৱাইছোঁ– কেতিয়াও এই জীৱন-যাত্ৰা সুগম কৰাৰ চিন্তা কৰা

OKDISCD

নাই। এনে নতুন চিন্তাৰ প্ৰভাৱতে আজি সকলো বৈজ্ঞানিক আৱিষ্কাৰেই ইউৰোপত সম্ভৱ হৈছে। আমাৰ ল'ৰা-ছোৱালীৰ মনক নজনাক জনাৰ প্ৰতি, কাৰ্য-কাৰণত সম্পৰ্ক বিচাৰৰ প্ৰতি সজাগ কৰি তুলিব পাৰিব বিজ্ঞান সাহিত্যইহে। সুখৰ কথা, আমাৰ বিজ্ঞান বিষয়ক কে'বাখনো আলোচনী (বিজ্ঞান-জেউতি, বিজ্ঞান-বাৰ্তা, আৱিষ্কাৰ, দৃষ্টি, জ্ঞানদীপ) ওলোৱাৰ উপৰিও শিশু-চেমনীয়াৰ উপযোগী (ডাঙৰৰো উপযোগী) কিতাপো ওলাইছে। ডং দীনেশ গোস্বামী, ডং কুলেন্দু পাঠক, ডং অমৰজ্যোতি চৌধুৰী, ডং মহেন্দ্ৰ নাথ বৰা, অধ্যাপক ক্ষীৰধৰ বৰুৱা, বিজয়কৃষ্ণ শৰ্মা, ডং পদ্মপাণি, অধ্যাপক ৰমেশ গোস্বামী ইত্যাদি এই সকলে এই ফালটোলৈ বিশেষ চকু দিছে।

এনেবিলাক কিতাপ স্কুল-লাইব্ৰেৰী আদিত ৰখাটো বাধ্যতামূলক কৰিব লাগিব। স্কুলৰ বঁটা আদিৰ ক্ষেত্ৰতো এনে কিতাপ দিয়াৰ প্ৰতি স্কুল কৰ্তৃপক্ষই চকু দিব লাগিব।

স্বাস্থ্য-বিজ্ঞান সম্পৰ্কীয় আলোচনী আমাৰ ওলাইছে যদিও বেছি দিন নচলে। এতিয়া ডাঃ নগেন দত্তদেৱে সম্পাদনা কৰি "স্বাস্থ্য চিন্তা" আলোচনী উলিওৱাৰ উপৰি কে'বাখনো ৰোগ-নিৰাময় সম্পৰ্কীয় কিতাপ লিখি জনসাধাৰণৰ মাজত নতুন আগ্ৰহ জন্মাব পাৰিছে। তেখেতৰ ভাষা আৰু ঠাঁচ অতি আকৰ্ষণীয়। ডাঃ গকুল বৰাদেৱেও এনে কিতাপ আৰু প্ৰবন্ধ লিখি আছে।

তাহানিৰ "বৈদ্য অমৰ", "নিদান সাৰ-সংগ্ৰহ" আদি কিতাপৰ নতুন তাঙৰণৰ প্ৰয়োজন। বৰ্তমান শ্ৰীযুত গুণাৰাম খনিকৰদেৱে বনৌষধি বিষয়ক কিতাপ, জীৱ-জন্তুৰ চিকিৎসা বিষয়ক বনৌষধিৰ কিতাপ লেখিছে।

ডাঃ প্ৰদীপ চন্দ্ৰ শৰ্মায়ো বনৌষধি বিষয়ক জনপ্ৰিয় কিতাপ ৰচনা কৰিছে। শ্ৰীযুত মোহন চন্দ্ৰ বৰাদেৱে প্ৰাকৃতিক চিকিৎসা বিষয়ক প্ৰবন্ধ আৰু গ্ৰন্থ প্ৰকাশ কৰিছে।

জীৱ-জন্তুৰ চিকিৎসা বিষয়ক, বিশেষকৈ পোহনীয়া জীৱ-জন্তুৰ ৰোগ আৰু চিকিৎসা বিষয়ক কিতাপ, কৃষি-বিষয়ক কিতাপ, দুই-এখনহে চকুত পৰে। এনে বিষয়ৰ কিতাপ আৰু আলোচনী অতি প্ৰয়োজনীয়। ঘৰচীয়া জীৱ-জন্তু সম্পৰ্কীয় আলোচনা শ্ৰীযুত ফটিক চন্দ্ৰ গগৈ, শ্ৰীজীৱন চন্দ্ৰ দাস আদিয়ে কাকত-আলোচনীত কৰিছে।

কাৰিকৰী জ্ঞানৰ কিতাপৰ আমাৰ বৰ অভাৱ। সহজ মতৰ শিক্ষা, ৰেডিঅ', টি-ভি, ঘড়ী আদি মেৰামতিৰ কাম সহজে শিকিবপৰা ধৰণৰ



কিতাপ দুখন নে এখন হে আমাৰ আছে।

খেল-ধেমালিৰ আলোচনী "অভিৰুচি" আদিয়ে আমাৰ এই বিষয়ত অভাৱ পূৰণ কৰিছে। কাকত-পত্ৰত অৱশ্যে নিয়মীয়া শিতান থাকে। খেল-বিষয়ক কিতাপ লিখোতাসকলৰ সংখ্যা কম, সম্ভৱ প্ৰকাশকো নাই। শ্ৰীযুত পুলক লাহিড়ীৰ নাম এই ক্ষেত্ৰত স্মৰণীয়। আমাৰ নিজা খেল-ধেমালিৰ ভিতৰত খেলা কড়িখেল, বাঘ-গৰু, আদি খেল ব্যৱসায়িকভাৱে উলিয়াব পাৰি। তাহানি বিলাতত স্বৰ্গীয় শুকদেৱ গোস্বামীয়ে 'হ'ল্ড ডেট টাইগাৰ' নাম দি বাঘ-গৰু খেল উলিয়াই খেলাটোক জনপ্ৰিয় কৰিছিল।

পুষ্পসজ্জা, এম্ব্ৰইডাৰী, পেইন্টিং বা ৰঙীন চিত্ৰৰ কাম, কুৰুচাৰ কাম, তাঁতত ফুল তোলা চানেকিৰ কিতাপ, চিলাই আৰু সাজ-পাৰ তৈয়াৰ কৰা বিষয়ক কিতাপ আমাৰ নাই। এইবিলাক কিতাপৰ প্ৰকাশনত খৰচ পৰে কাৰণেই প্ৰকাশক কম। কিন্তু সাহসী প্ৰকাশক ওলাব লাগে। শ্ৰীমতী প্ৰীতি কাকতীৰ "পুষ্পসজ্জা" এই বিষয়ত বোধহয় একমাত্ৰ কিতাপ।

ৰন্ধন-বিদ্যা সম্পৰ্কীয় কিতাপ আমাৰ ওলাইছে, আৰু কেইখনমান দুষ্প্ৰাপ্যও। এই সম্পৰ্কত শ্ৰীমতী(সকল) নিৰ্মালি হাজৰিকা, লক্ষ্মীপ্ৰিয়া চাংকাকতী আদিৰ নাম মনত পৰিল।

শিশু সাহিত্যৰ প্ৰসঙ্গত আৰু এটা কথালৈ আঙুলিয়াব খোজোঁ। শিশু আৰু চেমনীয়াক আকৰ্ষিত কৰিবলৈ সাহিত্য সভাৰ যোগেদি আঞ্চলিক ভাৱে একোটা সমাৰোহ পতাৰ ব্যৱস্থা কৰিব নোৱাৰিনে– য'ত তেওঁলোকে আবৃত্তি, গীত, চিত্ৰাঙ্কন, কুইজ আদিত ভাগ লৈ, নিজে লিখা গদ্য-পদ্য পঢ়ি, সাহিত্য সভাৰ প্ৰতি আগ্ৰহী হ'ব পাৰে?

জ্যোতিষ বিষয়ক আলোচনা, চিন্তা-চৰ্চা আমাৰ বাঢ়িছে। 'সৃষ্টি' আৰু 'কালপুৰুষ' দুখন আলোচনী সমানে চলিছে। একাধিক অসমীয়া পঞ্জিকা (প্ৰাগজ্যোতিষ, কালপুৰুষ, নৱগ্ৰহ) প্ৰকাশিত হৈছে। সুলেখক শ্ৰীযুত অৱনীন্দ্ৰ চন্দ্ৰ বৰাদেৱে (কালপুৰুষৰ সম্পাদক) জ্যোতিষ বিষয়ত সৰ্বভাৰতীয় সন্মান লাভ কৰিছে।

আমাৰ মহিলা সমাজে ভাৰতীয় স্বাধীনতা আন্দোলনৰ দিন ধৰি যোৱা দীঘলীয়া আন্দোলনলৈকে পুৰুষৰ সমানে থিয় হৈ যি ভূমিকা গ্ৰহণ কৰি আহিছে, সি আমাৰ জাতীয় বুৰঞ্জীৰ অঙ্গ। তাহানি জয়মতী, ৰাধা-ৰুক্মিণী, সাধনী, মূলাগাভৰু, ৰাধিকা শান্তি আদি মহীয়সী নাৰীৰ কথা এৰিও স্বাধীনতা যুঁজত পুলিচৰ গুলীত প্ৰাণ দিয়া কনকলতা, ভোগেশ্বৰী

OKDISCD

ফুকননী, খহুলী নাথ, আদি বহুতো মহিলাৰ ত্যাগ আৰু সাহসৰ কাহিনীৰে আমাৰ বুৰঞ্জী ৰঞ্জিত।

সাহিত্য-কলা আদিৰ ক্ষেত্ৰতো আমাৰ মহিলাসকলৰ নাম বৈষ্ণৱ যুগৰপৰাই পাওঁ যদিও স্ত্ৰীশিক্ষাৰ বিকাশ আমাৰ দেশত বহুত পলমকৈ হোৱাত নাৰী মনৰ স্বাধীন প্ৰকাশ আমাৰ সাহিত্যত এতিয়াহে দেখা পাবলৈ আৰম্ভ কৰিছোঁ। তাৰ আগতে গল্প-কবিতা-উপন্যাসত মাত্ৰ পুৰুষৰ দৃষ্টি-ৰেহে নাৰীক দেখিবলৈ পাওঁ। বাকী আমাৰ গাঁও-ভূঁইৰ নাৰীসকল সংসাৰৰ, পৰিয়ালৰ, বোজা বৈ বৈয়ে জীৱন পাত কৰিছে। আমাৰ পুৰুষতকৈ তিৰোতাৰ কামৰ বোজা সৰহ, আৰু সেই বোজা পাতলোৱাৰ কোনো বৈজ্ঞানিক চিন্তা ভাৰতীয় সমাজত নাছিল। তাৰ মাজতেই অনাখৰী মহিলা-সকলেই আমাৰ সামাজিক ৰীতি-নীতি, জন-সংস্কৃতি, মৌখিক গীত-পদ, নাম-গুণ আদি ৰক্ষা কৰি এক বৈচিত্ৰ্যময়, সুৰুচিসন্মত সামাজিক জীৱনৰ ধাৰাটো বহন কৰি আনিছে। বহুতো ক্ষেত্ৰত পুৰুষৰ অত্যাচাৰৰ বলি হৈছে। ভাৰতৰ বিভিন্ন ৰাজ্যত যৌতুকৰ বলি হৈছে– যদিও সেইবিলাক ৰাজ্যৰ গল্প-উপন্যাস-নাটক-চিনেমাত প্ৰেমৰ বাহিৰে, ফুলত ধৰি গান গোৱাৰ বাহিৰে আন চিত্ৰ কমেই দেখা যায়! ভাৰতৰ তুলনাত আমাৰ নাৰী সমাজ আধুনিক শিক্ষাত পিছপৰা (পুৰুষ সমাজো); কিন্তু গৌৰৱময় উন্নত সাংস্কৃতিক জীৱনধাৰাৰ অধিকাৰী। সময়ৰ সোঁতত বহুত সলনি হৈছে। গাঁৱৰ সমাজ জীৱনো দ্ৰুত সলনিৰ পথত। শিক্ষাৰ প্ৰসাৰৰ লগে লগে পুৰুষৰ কৰ্মক্ষেত্ৰত সমানে ছোৱালী আগবাঢ়িছে– ইঞ্জিনীয়াৰিং, টেকন'লজি আদি বিষয়লৈকে। উচ্চথাপৰ দায়িত্বপূৰ্ণ বিষয়ত অধিষ্ঠিতা হৈছে, মন্ত্ৰী-মুখ্যমন্ত্ৰীও হৈছে।

আমাৰ সাহিত্যৰ ক্ষেত্ৰতো এক নতুন উখল-মাখলৰ সৃষ্টি হৈছে! 'লেখিকা সন্থা' আৰু 'লেখিকা সমাৰোহ'– দুটা সাহিত্য সন্থা গঠিত হৈছে, 'স্মৃতিগ্ৰন্থ' আদিৰ প্ৰকাশৰ উপৰিও দুখন মহিলা আলোচনী ওলাইছে।

নাৰী মনৰ স্বাভাৱিক প্ৰকাশ বিশেষকৈ তিনিগৰাকী বিখ্যাত লেখিকাৰ উপন্যাসত পোৱা যায়ঃ সাহিত্য অকাডেমীৰ বঁটা লাভ কৰোঁতা ডঃ শ্ৰীমতী মামণি ৰয়চম গোস্বামী, শ্ৰীমতী নিৰুপমা বৰগোহাঞি, শ্ৰীমতী প্ৰৱীণা শইকীয়া আৰু পিছৰসকলৰ ভিতৰত ডঃ নীলিমা শৰ্মা, অৰূপা ডেকা পটঙ্গীয়া আদিৰ লেখাতো নাৰী মনৰ প্ৰকাশ ঘটিছে। শ্ৰীযুতা স্নেহ দেৱী আগৰ চামৰে প্ৰসিদ্ধা লেখিকা। ডাঃ দীপালী দত্তৰ নাম সুকীয়াকৈ উল্লেখ কৰিবলগীয়া এই কাৰণেই যে তেখেতে মনোবিজ্ঞান সম্পৰ্কীয় আলোচনা



গ্ৰন্থ, প্ৰবন্ধ লিখাৰ উপৰিও মনোবৈজ্ঞানিক বিশ্লেষণযুক্ত বাস্তৱ কাহিনীৰে এই দিশত অৰিহণা আগবঢ়াইছে।

কবিতাৰ ক্ষেত্ৰতো আগশাৰীৰ মহিলা লেখিকাই সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিছে। ডঃ নিৰ্মলপ্ৰভা বৰদলৈ শ্ৰেষ্ঠা কবি, শিশু সাহিত্যিকা, গীত ৰচয়িত্ৰী আৰু চিন্তাশীল প্ৰবন্ধ, গ্ৰন্থ আদিৰ ৰচয়িত্ৰী। ডঃ বৰদলৈয়ে কবিতাত সাহিত্য অকাডেমীৰ বঁটা লাভ কৰাৰ উপৰিও অসম তথা ভাৰতৰ বাহিৰতো আন্তৰ্জাতিক সভা-সমিতিৰ যোগেদি খ্যাতি অৰ্জন কৰি আমাৰ গৌৰৱ বঢ়াইছে। অধ্যাপিকা ডঃ লক্ষ্যহীৰা দাস কবি, আৰু গীত ৰচয়িত্ৰী। বিদূষী মহিলা শ্ৰীমতী নীলিমা দত্ত কবিও। এইসকলৰ উপৰিও আৰু কেইবাগৰাকীও সম্ভাৱনাপূৰ্ণ লেখিকাই আমাৰ ভাষা-সাহিত্য সমৃদ্ধ কৰিছে।

চিন্তাপ্ৰধান মৌলিক ৰচনাইহে সাহিত্যৰ ভেটি সুদৃঢ় কৰে আৰু সৃষ্টিমূলক ৰচনাই তাৰ ওপৰত সৌধ ৰচনা কৰে। ডক্টৰেটৰ কাৰণে লিখা বহু থেচিছ অপ্ৰকাশিত– সেইবিলাকৰ বিষয়বস্তুৱে অসমীয়া মহাভাৰত, ৰামায়ণ আৰু শ্ৰীশঙ্কৰদেৱৰ সমগ্ৰ ৰচনাকো সামৰিছে। অন্যান্য বিষয়-সমূহো আছেই। সেইবিলাকৰ বা তেনে আন গৱেষণা গ্ৰন্থৰ প্ৰকাশ হ'লে আমাৰ সাহিত্যৰ সংবাদ আনে জানিবলৈ সুযোগ পাব। আমাৰ গৱেষণাৰ ক্ষেত্ৰখন এতিয়াও কিমান অনাবাদী হৈ আছে, তাৰ প্ৰমাণ 'আজিৰ অসম' কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ 'উনবিংশ শতিকাৰ অসম-সংবাদ' আলোচনা লানিয়েই দিছে।

শ্ৰদ্ধেয় ডঃ সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ ৰামায়ণ সাহিত্যৰ বিষয়ে কৰা বিস্তৃত অধ্যয়ন যুক্ত গ্ৰন্থই প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰিছে। ইতিমধ্যে অধ্যাপিকা কেশদা মহন্তৰ "অসমীয়া ৰামায়ণী সাহিত্য কথাবস্তুৰ আঁতি-গুৰি" প্ৰকাশিত হৈছে।

শ্ৰীযুত বাপচন্দ্ৰ মহন্তই "নাম-ঘোষা তত্ত্বদৰ্শন" আদিৰ দৰে গভীৰ চিন্তা-চৰ্চামূলক গ্ৰন্থ, শ্ৰীশঙ্কৰদেৱৰ বিশ্লেষাণাত্মক জীৱনী, সাহিত্য সম্পৰ্কীয় আলোচনামূলক গ্ৰন্থ আগবঢ়াই সাহিত্যৰ চিন্তন-মননৰ ক্ষেত্ৰখন সমৃদ্ধ কৰিছে। পূজ্যপাদ শ্ৰীশ্ৰীকৃষ্ণানন্দ ব্ৰহ্মচাৰী প্ৰভুৱে নাম-ঘোষাৰ টীকা ৰচনা কৰি মহামূল্যবান অৰিহণা ( নাম-ঘোষা ভাষামৃত ) আগবঢ়াইছে। গীতাৰ বিষয়েও তেখেতে ব্যাখ্যামূলক গ্ৰন্থ ৰচনা কৰিছে। সকলোফালৰপৰাই তেখেত এজন আদৰ্শ পুৰুষ। কবি-সমালোচক, অসমীয়া সাহিত্যৰ অন্যতম গুৰিয়াল ডঃ মহেন্দ্ৰ বৰাদেৱৰ "গীতা"ৰ পদ-ভাঙনিয়ে আজিৰ কবি-সাহিত্যিকসকলকো অনুপ্ৰাণিত কৰিব বুলি আশা কৰিব পাৰোঁ। এই পদ-

OKD ISCD

ভাওনিৰ যোগেদি গোৱিন্দ মিশ্ৰৰ পিছতে তেখেতৰ নাম আৰু স্থান ৰ'ল।

ৰামধেনু যুগৰ আৰম্ভণিতে এনে ধাৰণা হৈছিল যে এই নতুন চামৰ লেখকসকলৰ বহুতেই কিজানি কালাপাহাৰৰ ভূমিকা ল'বগৈ। ৰামধেনুৰ পিছৰসকলক আৰু উগ্ৰ যেন লাগিছিল। এইসকলৰ বহুতেই পুৰণি সাহিত্যৰ প্ৰতি বা আমাৰ পৰম্পৰাৰ প্ৰতি আগ্ৰহী নহ'ব বুলিয়েই আমাৰ কোনো কোনোৰ ধাৰণা হৈছিল। কিন্তু এই ধাৰণা অমূলক আছিল বুলিয়েই ক'ব লাগিব। কিয়নো দেখিবলৈ পোৱা গ'ল যে এইসকল লেখকে ৰমন্যাস যুগৰ কবি-সাহিত্যিকসকলৰ নৱ-মূল্যায়নৰ চেষ্টা কৰিলে আৰু আমাৰ বৈষ্ণৱ সাহিত্যকো নতুন দৃষ্টিভংগীৰে, বিশেষকৈ আৰ্থ-সামাজিক মানসিকতাৰ পটভূমিত বিচাৰ কৰাত চেষ্টিত হ'ল। এইসকলৰ ভিতৰৰে ডঃ হীৰেন গোহাঁই ডাঙৰীয়াৰ মৌলিক চিন্তাপ্ৰসূত লেখাসমূহে আমাৰ লেখক আৰু পঢ়ুৱৈ সমাজৰ মনৰ দিগন্ত বহলাইছে। ডঃ গোহাঁয়ে অসমৰ যোৱা সংকটৰ কালত বাহিৰৰ কাকতৰ মাধ্যমত অসমৰ শুদ্ধ ছবি এখন দাঙি ধৰিছিল। ডঃ শিৱনাথ বৰ্মণ দেৱৰ নামো উল্লেখযোগ্য।

অৱশ্যে বেজবৰুৱা, ডঃ কাকতিদেৱৰ দ্বাৰা প্ৰদৰ্শিত পথেদি আগবাঢ়ি যোৱাসকলৰ ভিতৰত ডঃ নেওগ আৰু ডঃ শৰ্মা ডাঙৰীয়াৰ অৱদান সৰহ। নৱমূল্যায়নৰ ক্ষেত্ৰত বেজবৰুৱাদেৱৰ পিছতে ডঃ নেওগদেৱৰ স্থান। তেখেতে ইংৰাজী ভাষাত লিখা বৈষ্ণৱ সাহিত্য-সংস্কৃতি বিষয়ক গ্ৰন্থসমূহে অনা-অসমীয়া পাঠকক এই বিষয়ে জনাৰ সুবিধা দিছে। শ্ৰীনৱাৰুণ বৰ্মাই হিন্দী ভাষাৰে "কীৰ্তন" পুথিৰ ভাঙনি কৰিছে। তেখেত আমাৰ শলাগৰ পাত্ৰ।

ডঃ কাকতি ডাঙৰীয়াৰ দিনৰপৰা আৰম্ভ কৰি সাম্প্ৰতিক কাললৈকে ভালেকেইজন চিন্তাশীল সাহিত্যিকে আৰু পণ্ডিত-গৱেষকে আমাৰ চিন্তা-চৰ্চাৰ জগতখন সমৃদ্ধ কৰিছে। প্ৰাচীন-অৰ্বাচীন সাহিত্যকৰ্মৰপৰা ধৰি, শিল্পকলা, পুৰাতত্ত্ব, মূৰ্তি-চিত্ৰকলা, সংগীত-নৃত্য আদি সকলো দিশেই মননশীল লেখাই সামৰি লৈছে। সেয়ে হ'লেও এই কথা কোৱা নাই যে এইবিলাক ক্ষেত্ৰত আমাৰ আৰু নতুনকৈ কৰিবলগীয়া কাম নাই। সাহিত্য-কলা-সঙ্গীত এই সকলোৰে নান্দনিক মূল্যৰ বিচাৰ সমাজ পৰিবৰ্তনৰ লগে লগে ন ন ৰূপত হ'ব পাৰে আৰু ইতিপূৰ্বে আলোচিত কলাকৃতি আৰু সাহিত্যত নতুনকৈ আলোকপাত কৰাৰো থল থাকিব। অথবা থল ওলাই থাকিব।

পুৰাতাত্ত্বিক সম্পদত ভাৰতৰ আন চহকী ৰাজ্যৰ দৰেই অসমো



চহকী। এই সম্পদবোৰ ধৰ্ম-কেন্দ্ৰিক হ'লেও আৰু ধৰ্মীয় মূৰ্তিতত্ত্বৰ দিশৰপৰা প্ৰাচীন ভাস্কৰ্যৰ বিশ্লেষণ সাধাৰণতে কৰা হ'লেও এইবোৰৰ সামাজিক আৰু নৃতাত্ত্বিক প্ৰমূল্যসমূহ অস্বীকাৰ কৰিব নোৱাৰি। প্ৰখ্যাত পুৰাতত্ত্ববিদ সাংখালিয়াৰ দৰে পণ্ডিতে আমবাৰীৰ সম্পদসমূহৰ জৰিয়তে প্ৰাচীন অসমৰ সভ্যতাৰ বিষয়ে নতুন দিশ একোটা পাবপৰাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে। পদ্ধতিগত অনুসন্ধানৰ জৰিয়তে হয়তো পুৰণি ব্ৰহ্মপুত্ৰ সভ্যতাৰ বিষয়ে নতুন পোহৰ পেলাব পৰা হ'ব।

অসমৰ বৰ্ণাঢ্য লোক-সংস্কৃতিৰ পথাৰখনো বিচিত্ৰ। বিভিন্ন ভাষিক-সাংস্কৃতিক জাতি-গোষ্ঠীৰ জীৱন-ধাৰা, চিন্তা, অভিজ্ঞতা আৰু ৰুচিৰ বিষয়ে সঠিক কথা ক'বলৈ প্ৰচুৰ সাংস্কৃতিক উপকৰণ পৰি আছে। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, ডঃ প্ৰফুল্লদত্ত গোস্বামী, ডঃ বীৰেন্দ্ৰনাথ দত্ত, ডঃ লীলা গগৈ, ডঃ নৱেন কলিতা আদি পণ্ডিতসকলে ভালেখিনি সম্পদ পোহৰলৈ আনিছে। বহু সময়ত সম্পদসমূহৰ সংৰক্ষণকে জন-সংস্কৃতি চৰ্চাৰ মূল কথা বুলি ভবা হয় যদিও দৰাচলতে জাতিৰ পৰিবৰ্তনশীল জীৱনধাৰাৰ লগে লগে ইয়াক বিৱৰ্তনৰ পথেৰে নিব পাৰিলেহে জাতিটোৰ অতীত আৰু বৰ্তমানৰ মাজৰ নভগা-নিছিগা যোগসূত্ৰডাল ধৰিবপৰা হ'ব। সাংস্কৃতিক সম্পদৰ সংৰক্ষণেৰে এটা যাদুঘৰ হ'ব হয়তো, কিন্তু জাতিটোৰ গতিশীল, সৃজনশীল জীৱনধাৰা অব্যাহত থাকিব বুলি ক'ব নোৱাৰি।

সাম্প্ৰতিক কালত অসমত চিত্ৰ-ভাস্কৰ্য চৰ্চাৰ এক বিশেষ উচ্ছ্বাস দেখিবলৈ পোৱা গৈছে। জে, জে, স্কুল অব্ আৰ্ট, শান্তিনিকেতন আদিৰ পৰাও ভালেকেইজন কৃতী শিল্পী ওলাই আহিছে। অৰ্বাচীন ধাৰাৰ সংগঠনৰ-(Construction) ধাৰাত ভাস্কৰ্য ৰচনা কৰাও হৈছে। কিন্তু মন কৰিবলগীয়া কথা হৈছে, এইবোৰ দিশত আমাৰ নিজাকৈ শৈলী এটা প্ৰকাশ পাইছেনে? এইটো ঠিক যে আজিৰ দিনত অতি সংক্ষিপ্ত হৈ পৰা পৃথিবীখনত আন্তৰ্জাতিক প্ৰভাৱৰ কথা বাদ দি চলিব নোৱাৰি। এই প্ৰভাৱবোৰ পাখি বা ডেউকাহে, উৰিব পাৰি। কিন্তু উৰিব পাৰিলেই নহ'ব, নিজৰ মাটিত ঘাই শিপাৰ নখে খামুচি ধৰি থকাও হ'ব লাগিব।

নৃত্য-কলা চৰ্চাৰ প্ৰতি আগ্ৰহ বাঢ়ি অহাটো শুভ লক্ষণ। অৱশ্যে অসমৰ প্ৰতিখন গাঁৱতেই (বৈষ্ণৱ ধৰ্মাৱলম্বী) আৰু প্ৰায় প্ৰতিখন সত্ৰতে শঙ্কৰী নৃত্য-কলাৰ চৰ্চা কম-বেছি পৰিমাণে চলি আহিছে। স্বৰ্গীয় গহন চন্দ্ৰ গোস্বামী প্ৰভু, স্বৰ্গীয় গিৰিকান্ত মহন্ত আদিয়ে স্বৰাজোত্তৰ অসমত নৃত্য-কলাৰ প্ৰসাৰ, প্ৰচাৰ আৰু প্ৰশিক্ষণৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা

OKDISCD

কাৰো অবিদিত নহয়। ঠায়ে ঠায়ে কমলাবাৰী আদি সত্ৰৰপৰাও উপযুক্ত প্ৰশিক্ষক নি বৰগীত, নৃত্য-কলা, ভাওনাৰ প্ৰশিক্ষণৰ ব্যৱস্থাও কোনো কোনোৱে কৰিছে। বৰ্তমান অসমৰ বিভিন্ন ঠাইত এনে চৰ্চা-কেন্দ্ৰ স্থাপন কৰা আৰু চলি থকাৰ বাতৰিয়ে উৎসাহ দিয়ে। শ্ৰীমতী পুষ্পা ভূঞা, শ্ৰীমতী ইন্দিৰা পি, পি, বৰা, শ্ৰীমতী শুভলক্ষ্মী বৰুৱা আদি সুযোগ্যা জীয়াৰী-সকলে একাণপতীয়াকৈ ধ্ৰুপদী আৰু সৃজনীশীল নৃত্য-চৰ্চা কৰি দেশ-বিদেশত আমাৰ গৌৰৱ বঢ়াইছে। প্ৰাচীন কামৰূপী নৃত্য-সংঘৰ পুনৰুজ্জীৱনৰ চেষ্টা কৰিব নোৱাৰিনে? আমাৰ "শঙ্কৰদেৱ কলাকেন্দ্ৰ" স্থাপন থলুৱা নৃত্য-কলা চৰ্চাৰ এক শুভ আৰম্ভণি। বিভিন্ন জনজাতীয় নৃত্য-কলা, শঙ্কৰী নৃত্য-কলা, ভাৰতীয় নৃত্য-কলা, বিশেষকৈ দক্ষিণ-ভাৰতীয় নৃত্য-কলা চৰ্চাৰো সুব্যৱস্থা থাকিলে ভৱিষ্যতৰ ল'ৰা-ছোৱালীয়ে প্ৰেৰণা পাব। শঙ্কৰী কলা-সংস্কৃতি-সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত এক যুগান্তকাৰী পৰিকল্পনাৰ কামত হাত দিছে এজন উদ্যোগী পুৰুষ শ্ৰীসুৰেন্দ্ৰনাথ বৰাদেৱে। "ৰাষ্ট্ৰীয় শঙ্কৰদেৱ বিকাশ সমাজ" নামৰ এটি অনুষ্ঠান স্থাপন কৰি "শঙ্কৰদেৱ উদ্যান" এখন গঢ়ি তোলাৰ এক বৃহৎ আঁচনি হাতত লৈছে। বালিসত্ৰৰ পণ্ডিত, অধ্যাপক ড° কেশৱানন্দ দেৱগোস্বামীৰ হাতত থকা মহামূল্যবান জাতীয় সম্পদ স্বৰূপ ৰঙীন "চিত্ৰভাগৱত" পুথিখন তেখেতেই ছপাবলৈ সাহ কৰিছে। প্ৰায় ডেৰকুৰি বছৰৰ আগতেই স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱা দেৱেও চিত্ৰভাগৱত একক প্ৰচেষ্টাৰে ছপা কৰিছিল, কিন্তু সম্পূৰ্ণ ৰঙীন নাছিল। ভগৱন্তই তেখেতক কৃপা কৰক। আমাৰ অন্যান্য সচিত্ৰ পুথি, "ৰাঙলী কীৰ্তন", "শঙ্খচূড় বধ", "কুমৰহৰণ", "পাৰিজাতহৰণ" আদি পুথিৰ প্ৰকাশক নোলাবনে?

বাতৰি-কাকত আলোচনীৰ ক্ষেত্ৰত আমাৰ সাহিত্যলৈ লুইতৰ ঢল অহা যেন লাগিছে। ব্যক্তিগতভাৱে চেমনীয়া অৱস্থাৰপৰাই মই হীন-মন্যতাত ভুগি আহিছোঁ। তেতিয়াৰ লেখাবিলাক পঢ়ি মই চাৰিওফালে হতাশা, অপমৃত্যুৰ ছবি এখনকেই দেখি আহিলোঁ। আনকি কলেজীয়া জীৱনতো মই অকলেই নানা মানসিক যন্ত্ৰণাত দিনৰ পিছত দিন কটাই-ছিলোঁ। যেতিয়া 'দৈনিক অসমীয়া' ওলাল, মই অকলেই আনন্দ লাভ কৰিছিলোঁ। 'অসমীয়া' মৰোঁতে আকৌ দুখ। সেইসময়ত মই "ৰংঘৰ"ত কাম কৰিছিলোঁ। স্বৰ্গীয় ইন্দ্ৰকমল বেজবৰুৱাৰ সহায়ত ৰামধেনু প্ৰেছ প্ৰতিষ্ঠা হ'ল আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ চেষ্টাত "নতুন অসমীয়া" ওলাল। শ্ৰদ্ধেয় বৰুৱাদেৱে এদিন কাৰোবাক কোৱা শুনিলোঁ, "সকলোৱে কয় 'অসমীয়া' মৰিল, অসমীয়া কিয় মৰিব, আমি 'নতুন অসমীয়া' উলিয়াম।" সি যি হওক, বৰ্তমান আমাৰ দৈনিক অসম, দৈনিক জনমভূমি, নতুন দৈনিক, আজিৰ অসম, চাৰিখন অসমীয়া আৰু তিনিখন ইংৰাজী দৈনিক ৰ-ৰৱাই চলিছে (দি চেন্টিনেল, দি আচাম ট্ৰিবিউন, দি আচাম এক্সপ্ৰেছ)। অসমবাণী, অগ্ৰদূত, সাদিনীয়া জনমভূমি, বৰপীঠ, মোজাহিদ, গণতন্ত্ৰ, নীলাচল, নাগৰিক, সাদিন, মহাজাতি আদি ডেৰকুৰিৰ ওপৰ বাতৰি কাকত (সাদিনীয়া, তিনি-দিনীয়াও) আৰু প্ৰান্তিক, ৰূপকাৰ, ৰূপান্তৰ, সূত্ৰধাৰ, কলীয়াভোমোৰা, শতৰূপা (মহিলাৰ), অভিৰুচি, দূত, কি ফুলে ফুলালা, শিহৰণ, অনুসন্ধান আদি মাহেকীয়া পষেকীয়া, আলোচনী-বাৰ্তালোচনীৰ প্ৰকাশে আমাৰ আলোচনী-বাতৰিৰ পথাৰখন লহপহীয়া কৰি তুলিছে। অলপতে গুৱাহাটীত এখন নতুন কাকত "অৱতাৰ"ৰ শুভ উদ্বোধন হৈ গ'ল। ধৰ্মীয় সমন্বয় সাধন আৰু ধৰ্মীয় সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ মহান উদ্দেশ্য লৈ এই কাকত প্ৰতিষ্ঠা কৰা হৈছে বুলি প্ৰকাশকে জনাইছে। 'ভৱন'চ্ জাৰ্ণেল', 'আৰ্যশাস্ত্ৰ' (বঙলা) আদিৰ লেখীয়াকৈ এইখনো এখন মূল্যবান আলোচনী হ'ব বুলি আমাৰ আশা।



যোৱা আন্দোলনৰ সময়ছোৱাত, অগ্ৰদূত, অসমবাণী, জনমভূমি, দৈনিক অসমে কি বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল, সেয়া সৌ সিদিনাৰ কথা। জাতীয় বৃহৎ স্বাৰ্থৰ কাৰণে যেতিয়ালৈকে আমাৰ কাকতসমূহে আত্মনিয়োগ কৰি থাকিব, তেতিয়ালৈকে তেনে কাকত আমাৰ জাতীয় কাকত ৰূপেই পৰিগণিত হ'ব।

এই কাকতসমূহত ৰঙীন পৃষ্ঠা, চিত্ৰ আৰু কোনো কোনো কাকত সম্পূৰ্ণ অফ্ছেট ছপাশালত ছপা হোৱাৰ কাৰণে আমি দুগুণে গৌৰৱান্বিত হৈছোঁ। আমাৰ ছপা শিল্পই হঠাৎ গা কৰি উঠাটো জাতিৰ ভৱিষ্যতৰ কাৰণেও আশাপ্ৰদ হৈছে।

বাতৰি কাকতৰ প্ৰসাৰৰ লগে লগে সংবাদপত্ৰধৰ্মী ৰচনাই প্ৰসাৰতা লাভ কৰিছে আৰু এচাম বাতৰিযোগনিয়াৰৰ এনে ৰচনাত ভাষাই নিজৰ কালিকা ৰক্ষা কৰিও প্ৰাঞ্জল, দ্ৰুত গতিশীলতা লাভ কৰিছে। অৱশ্যে বহু সাহিত্যিকৰ ভাষা ইংৰাজী প্ৰভাৱত এনে নতুন ঠাঁচত গঢ়ি উঠাও দেখিবলৈ পাইছোঁ।

অনাতাঁৰ কেন্দ্ৰই, বিশেষকৈ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই যোৱা দুকুৰি বছৰৰ ওপৰকাল আমাৰ সাহিত্য-সংস্কৃতিৰ জগতখনলৈ সাধ্যমতে অৰিহণা যোগাই আহিছে। এসময়ত কেন্দ্ৰই আভুৱা-ভৰা ষ্টেচন এটা দিছিল যদিও সেই সময়ৰ বৰেণ্য পুৰুষসকলৰ সহযোগ এই কেন্দ্ৰই

OKDISCD

পাইছিল। চীনৰ আক্ৰমণৰ পিছৰপৰা বহুত ক্ষেত্ৰত কেন্দ্ৰৰ সুবুদ্ধিৰ উদয় হোৱাত (তিতা-কেঁহা অভিজ্ঞতাৰ পিছত) এই কেন্দ্ৰক শক্তিশালী কৰে, আৰু ডিব্ৰুগড়তো আন এটা কেন্দ্ৰ স্থাপন কৰা হয়। পিছত শিলচৰতো আন এটা কেন্দ্ৰ স্থাপন কৰিলেও তাত অসমীয়া ভাষাৰ প্ৰৱেশ হোৱাই নাই। অনাতাঁৰ নাটক ভাৰতীয় সাহিত্যলৈ নতুন সৃষ্টি। অসমৰ অনাতাঁৰ কেন্দ্ৰৰ যোগেদি, গীত-মাত-কথিকা, খেতি-বাতি, বিজ্ঞান, অকণিৰ মেল, আইদেউৰ বুলনি আদি অনুষ্ঠানৰ প্ৰচাৰ জনপ্ৰিয় হৈ পৰে। উল্লেখনীয়ভাৱে সমৃদ্ধ হৈ পৰিছে আমাৰ অনাতাঁৰ নাট্য সাহিত্য। অনাতাঁৰ কেন্দ্ৰৰ এজন ওখ খাপৰ বিষয়া, লব্ধ-প্ৰতিষ্ঠ নাট্যকাৰ শ্ৰীঅৰুণ শৰ্মাৰ দ্বাৰা সম্পাদিত হৈ এনেকৈ প্ৰচাৰিত নাটৰ সংকলন "অনাতাঁৰ নাট্যাৱলী" দুটা খণ্ডত ওলাইছে। অন্যান্য আলোচনা, নীতি-বচন, কৃষি সম্পৰ্কীয় আলোচনাৰ সংকলন ওলালে আমাৰ সাহিত্য চহকী হ'ব।

গীত-মাতৰ ক্ষেত্ৰত কিছু কথা ক'বলগীয়া আছে। নতুন নতুন গীতিকাৰ আৰু শিল্পীক উৎসাহিত কৰিব লাগিবই, তথাপি কণ্ঠ পৰীক্ষাত এটা নিৰ্দিষ্ট মান নিশ্চয় ৰক্ষা কৰিব লাগিব। গীতৰ বাছনিৰ ক্ষেত্ৰতো গীতৰ বিষয়বস্তু, সৌন্দৰ্যৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। মৌখিক গীত-পদবিলাক সম্পূৰ্ণ নিভাঁজ সুৰত প্ৰচাৰ কৰিব লাগিব। এই সুৰবিলাক আমাৰ গাঁওবিলাকৰপৰাও হেৰাই যোৱাৰ উপক্ৰম।

লোকগীতৰ নামত শঙ্কৰদেৱ-মাধৱদেৱৰ ৰচনা চলাই দিয়া গায়কসকলক কঠোৰভাৱে নিয়ন্ত্ৰিত কৰা উচিত। এনে কাৰ্য বিৰক্তিকৰ আৰু আপত্তিজনক।

ব্যাকৰণ আৰু উচ্চাৰণৰ শুদ্ধতালৈ (বিশেষকৈ ঘোষক আৰু বাতৰি দিওঁতাৰ ক্ষেত্ৰত) কেন্দ্ৰই বিশেষ চকু ৰখা উচিত। য কাৰ যুক্ত আৰু ৰেফ্ যুক্ত শব্দৰ প্ৰায়ে অশুদ্ধ উচ্চাৰণ শুনিবলৈ পোৱা যায়। আগতীয়া প্ৰশিক্ষণ, কণ্ঠস্বৰ আদিৰ চৰ্চাৰ নিয়মীয়া ব্যৱস্থা ৰখা উচিত। দূৰদৰ্শনৰ বিজ্ঞাপনৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ ৰাখিব লাগে।

বোলছবিৰ জগতখনো আমাৰ উৎসাহজনক হৈ উঠিছিল যদিও দূৰদৰ্শনে এই জগতখনত প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰিছেই। এনেয়ে আমাৰ চিনেমাঘৰৰ সংখ্যা কম, তাতে অসমীয়া বোলছবিৰ দৰ্শকৰ সংখ্যা আৰু কম। সীমিত সা-সুবিধাৰ মাজতো আমাৰ কেইবাজনো নিৰ্দেশকে সুনাম অৰ্জন কৰিছে। সেইসকলৰ ভিতৰত ডঃ ভূপেন হাজৰিকা, ডঃ ভবেন্দ্ৰনাথ শইকীয়া, জাহ্নু বৰুৱা, পদুম বৰুৱা, চাৰুকমল হাজৰিকাৰ



নাম উল্লেখনীয়। অভিনয়ৰ ক্ষেত্ৰত আমাৰ বিভিন্নগৰাকী অভিনেতা-অভিনেত্ৰীয়ে সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিছে। শ্ৰীইন্দ্ৰ বনিয়াই অলপতে আন্তৰ্জাতিক সন্মানো কঢ়িয়াই আনিছে।

প্ৰযোজকসকলৰ দৃষ্টিভংগীৰ ওপৰত প্ৰকৃততে চিনেমাৰ উন্নতি নিৰ্ভৰ কৰে। আমাৰ যিসকল প্ৰযোজক সুস্থ চলচিত্ৰ নিৰ্মাণৰ উদ্দেশ্যে আগবাঢ়ি আহিছে, সেইসকল আমাৰ সকলোৰে শলাগৰ পাত্ৰ।

সাম্প্ৰতিক কালৰ সৃষ্টিমূলক সাহিত্যৰ অৱস্থা উৎসাহজনকনে? যোৱা দহ বছৰত আমাৰ ওপৰত আমাৰ চৰকাৰ আৰু চৰকাৰৰ উচটনিত, যি মানৱদিনীয়া অত্যাচাৰ গ'ল, শ শ ডেকা ল'ৰাই প্ৰাণ আহুতি দিলে, বাতৰি কাকতৰ প্ৰতিটো বাতৰিৰপৰাই যেতিয়া পোৱা মঙহৰ গোন্ধ ওলাবলৈ ধৰিলে, যেতিয়া কোনো কোনোৱে কলমৰ নিফ্‌টো ওলোটাই লৈ লিখিবলৈ আৰম্ভ কৰিলে, কোনোৱেবা বিৱেককে পুৰি খোৱা বুলি সান্ত্বনা ল'লে,- তেতিয়া আমাৰ সৃষ্টিৰ সোঁত বন্ধ হৈ যাবই। যোৱা দহ বছৰ সৃষ্টিধৰ্মী সাহিত্যৰ দুৰ্যোগৰ দিন। তথাপি আমাৰ সাহিত্যই যিখিনি উন্নতি কৰিছে, সি উৎসাহজনক নহ'লেও নিৰাশজনক নহয় নিশ্চয়। এইক্ষেত্ৰত প্ৰথমেই চকুত পৰে নাট্য আন্দোলনৰ এক শক্তিশালী ৰূপ। নামঘৰ আৰু সত্ৰত নিয়মিত ভাওনা কোনো উপলক্ষ্য লৈ চলি আহিলেও যোৱা দুটা দশকত প্ৰশিক্ষণৰ ব্যৱস্থা, অনাচৰকাৰীভাৱে আৰু বৰ্তমান চৰকাৰীভাৱেও চলিছে। ভাওনা বা অঙ্কীয়া নাটৰ(?) অভিনয়ক লোক-কলা বুলি যাতে ভুল প্ৰচাৰ কৰা নহয়, আৰু লোক ৰঞ্জন কৰিবলৈ গৈ ভাওনাৰ স্বৰূপক কোনেও যাতে বিকৃত নকৰে, সেই দিশত সকলো সতৰ্ক হ'ব লাগিব। অলপতে দূৰদৰ্শনত জাপানী প্ৰাচীন নৃত্যকলাৰ অভিনয় যিসকলে চাইছে তেখেত-সকলে বুজিব পাৰিছে যে আধুনিক স্পৰ্শ দি জাপানী ৰাইজে নিজৰ নৃত্য-নাট্যক বিকৃত কৰাৰ চেষ্টা কৰা নাই। 'অঙ্কীয়া বাৰ নাট'ৰ অভিনয় লোক সদৃশ কৰিবলৈ যত্ন নকৰি এই গাঁথনিতে নতুন নতুন বিষয়বস্তু দি (সামাজিক, বুৰঞ্জীমূলক) পৰীক্ষামূলক ভাওনাৰ কাৰণেহে চেষ্টা চলাব লাগে।

সম্প্ৰতি আধুনিক একাঙ্কিকা নাটৰ ব্যাপক প্ৰসাৰৰ যোগেদি নতুন নতুন নাট্যকাৰ, পৰিচালক, অভিনেতাক উৎসাহ দিয়াৰ উপৰিও কলা-কৌশলগত পৰীক্ষা চলাটোও শুভ লক্ষণ। সৰ্বশ্ৰী ডঃ ভবেন্দ্ৰনাথ শইকীয়া, আলি হাইদৰ, দুলাল ৰয়, কুলদাকুমাৰ ভট্টাচাৰ্য, মহেন্দ্ৰ বৰঠাকুৰ, ণা ডেকা আদি নাট্যকাৰ আৰু পৰিচালক হিচাপে সৰবৰহী হৈছে।

ভাওনা প্ৰসঙ্গতে অসমৰ নাট্য পূৰ্ব অনুষ্ঠান কামৰূপৰ ঢুলীয়া

OK DISCD

ভাওনা, উজনিৰ ওজা ঢুলীয়া অনুষ্ঠান আৰু মধ্য অসমৰ ওজাপালি অনুষ্ঠানৰ কথা মনলৈ আহিল। দুয়োটা অনুষ্ঠানেই ৰাইজৰ পৃষ্ঠপোষকতা পাব লাগে। বিহুমেলা, আন এনে সাংস্কৃতিক অনুষ্ঠানত এখেতসকলক উৎসাহিত কৰাৰ ব্যৱস্থা হ'ব লাগে।

শ্ৰীগোপী মেধি ডাঙৰীয়াই "ঢোলবাদ্য আৰু তাল", "ওজাপালি" আদি পুথি ৰচনা কৰি এনে চৰ্চাত লাগি থকা বুলি জানিব পাৰি আনন্দ পাইছোঁ। অধ্যাপক নৰেন বৰদলৈদেৱেও এই বিষয়ৰ চিন্তা-চৰ্চা কৰি কাকতত আলোচনা আদি প্ৰকাশ কৰা চকুত পৰিছে।

কিন্তু জনসমাজত বেছিকৈ হেন্দোলনি তুলিছে আমাৰ ভ্ৰাম্যমান নাট গোষ্ঠীসমূহে। প্ৰায় ডেকা বয়সলৈকে মই অসমীয়া চাৰ্কাচ আৰু এনে নাট্যগোষ্ঠী গঠন সম্পৰ্কত হতাশ হৈয়েই আছিলোঁ। চাৰ্কাচ পাৰ্টি ওলাল আৰু মৰিল। কিন্তু যোৱা তিনিটামান দশকতে ভ্ৰাম্যমান নাট্য-গোষ্ঠীৰ সংখ্যা আৰু কৃতিত্বই নাট্য-সাহিত্য, নাট্য-মোদী ৰাইজ, আনকি আমাৰ জাতীয় চেতনাতো আলোড়ন তুলি আত্মবিশ্বাসো আনি দিছে। আমি সহ অভিনয় কল্পনা কৰিব নোৱাৰা সময়তো ১৯৩১ চনতে এই ডুমডুমাতে "অসম কোহিনুৰ অপেৰা পাৰ্টি"য়ে এজনী ছোৱালীক এটি স্ত্ৰী চৰিত্ৰ ৰূপায়িত কৰিবলৈ দিছিল। নটৰাজ, আৰাধনা, আৱাহন, কহিনুৰ, হেঙুল থিয়েটাৰ আদি সংখ্যাত ডেৰকুৰিৰ ওপৰ ভ্ৰাম্যমান থিয়েটাৰ দলে বহুতো শিল্পীৰ প্ৰতিভা আৰু জীৱিকাৰ সংস্থানো দি আহিছে। সম্প্ৰতি ভ্ৰাম্যমান থিয়েটাৰে চৰকাৰৰ ফালৰপৰাও উৎসাহ পাইছে। ছপা পূৰ্ণাঙ্গ নাটকৰ সংখ্যা কম। এইবিধ সাহিত্যৰ বিক্ৰী কম হোৱাৰ কাৰণেই প্ৰকাশক আগবাঢ়ি নাহে। এনে নাট্যকাৰসকলৰ সাম্প্ৰতিক কেইজনৰ সংখ্যা তাকৰীয়া। সেইসকলৰ ভিতৰত (সৰ্বশ্ৰী) আলি হাইদৰ, হিমেন্দ্ৰ বৰঠাকুৰ, মহেন্দ্ৰ বৰঠাকুৰ, মুনীন ভূঞা, ৰফিকুল হুচেইন— এইসকলৰ নাম উল্লেখ কৰি থ'লোঁ। সাংস্কৃতিক সঞ্চালকালয়ে বছৰি আয়োজন কৰা পূৰ্ণাঙ্গ নাট প্ৰতিযোগিতাই এই ক্ষেত্ৰত উৎসাহ আৰু প্ৰেৰণা দিছে।

কবিতাৰ ক্ষেত্ৰতো যে এটা জোৱাৰ আহিছে এই কথা সঘনে হৈ থকা কবি সন্মিলন, 'পান্থ-পাদপ' আদি কবিতাৰ আলোচনী, সৰু সৰু কবিতা পুথিৰ প্ৰকাশ, আলোচনীৰ উপৰিও বাতৰি কাকততো কবিতাৰ স্থান, স্কুল-কলেজ আদিৰ আলোচনীৰ উপৰিও প্ৰাচীৰ পত্ৰিকাৰ প্ৰকাশ, আৰু বিশেষকৈ দুটা কবি সংগঠন ('সদৌ অসম কবি সমাজ', 'সদৌ অসম কবি সন্মিলন') আৰু 'সদৌ অসম নবীন লেখক-লেখিকা আৰু



শিল্পী সমিতি' স্থাপন হোৱাৰ পৰাই প্ৰমাণিত হয়। লব্ধ-প্ৰতিষ্ঠ কবিসকলৰ ভিতৰত, কবিতাত নিজস্ব ধাৰাৰ সৃষ্টি কৰোঁতা কবি অজিৎ বৰুৱা, নীলমণি ফুকন, নৱকান্ত বৰুৱাৰ স্থান আমাৰ সাহিত্যত সুনিৰ্দিষ্ট। বাকী সকলৰ ভিতৰত (সৰ্বশ্ৰী) দীনেশ গোস্বামী, ৰাম গগৈ, নিত্যা দত্ত, বীৰেন বৰকটকী, ৰবীন্দ্ৰ বৰা, ৰবীন্দ্ৰ সৰকাৰ, সনন্ত তাঁতি, সমীৰ তাঁতি উল্লেখ-যোগ্য নাম। হৰেকৃষ্ণ ডেকা আৰু বীৰেশ্বৰ বৰুৱাই কবিতা আৰু গল্প উভয়তে নিজৰ স্থান ল'ব পাৰিছে। পিছৰ চামৰ ভিতৰত হীৰেন ভট্টাচাৰ্যই ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। বাকীসকলৰ ভিতৰত ৰফিকুল হুছেইন, ৰবীন্দ্ৰ চন্দ্ৰ বৰা, চেনিৰাম গগৈ, বিৰিঞ্চি ভট্টাচাৰ্য, প্ৰয়াগ শইকীয়া, শৰৎ বৰকটকী, লক্ষেশ্বৰ শৰ্মা সম্ভাৱনাপূৰ্ণ নাম। একেবাৰে নতুন চামৰ লক্ষণীয়সকলৰ বিষয়ে আৰু কবিতাৰ সাম্প্ৰতিক ধাৰাৰ সম্পৰ্কে আমি এইবাৰৰ কবি সন্মিলনীৰ সভাপতি আন এজন লব্ধ-প্ৰতিষ্ঠ কবি-সমালোচক অধ্যাপক হীৰেন্দ্ৰ নাথ দত্তদেৱৰ ভাষণৰ পৰাই জানিব পাৰিম। কাৰ্বি আৰু অসমীয়া দুয়ো ভাষাতে কবিতা লিখি নাম কৰা তৰুণসকল হ'ল (সৰ্বশ্ৰী) ছামচিং হাঞ্চে, লংকাম তেৰণ, ছাৰ এৎ হাঞ্চে, অৰুণ টেৰণ, পাৰি ৰংপি ("কাৰবি লামেত আমেই" কাৰ্বি সাহিত্য সভাৰ সভাপতি), হাৰ্ভে কাথাৰ, শেখৰজ্যোতি ইংতি, ভুৱন ৰংহাং আদি। (শ্ৰীযুত লংকাম তেৰণে "কথা-কীৰ্তন" কাৰ্বি ভাষালৈ ভাঙনি কৰিছে।) বড়ো সাহিত্যিকৰ ভিতৰত শ্ৰীনীলকমল ব্ৰহ্ম, শ্ৰীবিহুৰাম ব্ৰহ্ম, এইসকলৰ নাম জনাজাত। এই নতুন কবিসকলৰ সৰহ সংখ্যক কবিতাত 'নেতিবাচক' দৃষ্টিভঙ্গী, শব্দ-সৰ্বস্বতা, শ্লোগানধৰ্মিতা আদি সাধাৰণ লক্ষণ চকুত পৰে। ছন্দ বিষয়ৰ পৰীক্ষাও দেখা নাযায়। এওঁলোকে কঠোৰ পৰিশ্ৰম কৰিলেহে আমি সুফল পাম। এই কবিসকলক বাট দেখুৱাই নিয়া সহানুভূতিশীল সমালোচকৰ প্ৰয়োজন।

সাম্প্ৰতিক কথা সাহিত্যত ৰামধেনু যুগৰ কেইবাজনো লব্ধ-প্ৰতিষ্ঠ লেখক সক্ৰিয় হৈ থকা দেখিবলৈ পাওঁ। (সৰ্বশ্ৰী) আব্দুল মালিক, যোগেশ দাস, মেদিনী চৌধুৰী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চন্দ্ৰপ্ৰসাদ শইকীয়া, হোমেন বৰগোহাঁঞি, শীলভদ্ৰ, নীৰোদ চৌধুৰী আদি এইসকলৰ ভিতৰত। ডঃ ভবেন্দ্ৰনাথ শইকীয়া, ডঃ লক্ষ্মীনন্দন বৰা আদিয়ে গল্প এৰি উপন্যাসত হাত দিয়াৰ ফলত আমাৰ গল্প সাহিত্যৰ ধাৰাটো ক্ষীণ হৈ পৰিল। পিছৰসকলৰ ভিতৰত অতুলানন্দ গোস্বামী, অপূৰ্ব শৰ্মাই গল্পত আৰু হৰেকৃষ্ণ ডেকাই গল্প, কবিতা উভয়তে লেখনী চলাই গৈছে। শ্ৰীলক্ষ্যধৰ চৌধুৰীৰ "মানুহ

OKDISCD

বিচাৰি" চুটি গল্পৰ কলা-কৌশলত লিখা জীয়া জীৱনৰ কাহিনীৰ আকৰ্ষণীয় সংকলন। সাম্প্ৰতিক যুগৰ (সৰ্বশ্ৰী) কুমুদ গোস্বামী, দেৱব্ৰত দাস, ত্ৰৈলোক্য ভট্টাচাৰ্য, অৰুণ গোস্বামী, মদন শৰ্মা, বিৰিঞ্চি মেধি, মনোজ গোস্বামী, ডাঃ পূণ্যধৰ দাস, ফুলেন বৰ্মন আদি সম্ভাৱনাপূৰ্ণ কথা-সাহিত্যিক। ডং হেমন্ত কুমাৰ শৰ্মায়ো গল্প সাহিত্যলৈ অৰিহণা আগবঢ়াইছে। মনোজ গোস্বামীয়ে সৌৰভ চলিহা, নগেন শইকীয়া, অপূৰ্ব শৰ্মাৰ গল্পধাৰাটোতে গল্প লিখিবলৈ আৰম্ভ কৰিছিল যদিও সম্প্ৰতি নিজা কৌশল এটা বিচাৰি পোৱা যেন লাগে। চলিহাই আৰম্ভ কৰা এই বিশিষ্ট ধাৰাটোক কোনো কোনোৱে 'চেতনা-ধাৰা' বুলি ক'ব খোজে যদিও মোৰ মতে 'ইলেকট্ৰনৰ' গতি-প্ৰকৃতিৰ লগত সমন্বয় ৰাখি চেতনা-ধাৰাৰ লগত মিলাই চলিহাদেৱে সৃষ্টি কৰা এইটো এটা বিশিষ্ট ধাৰা।

যোৱা আন্দোলনৰ ভেঁটিত গল্প-উপন্যাস কম ওলাইছে বুলি বহুতৰে আপত্তি শুনা যায়। অৱশ্যে প্ৰায় লেখকেই আন্দোলনৰ লগত ঘনিষ্ঠভাৱে জড়িত হোৱাত এনে ক্ষেত্ৰত প্ৰয়োজনীয় অনাসক্তি (detachment) আনিবলৈ টান।

জীৱনী-উপন্যাস চৈয়দ আব্দুল মালিকেই আৰম্ভ কৰিছিল, পিছত (সৰ্বশ্ৰী) মেদিনী চৌধুৰী, ত্ৰৈলোক্য ভট্টাচাৰ্য, কুমুদ গোস্বামী, ক্ষিতি বৰা, আদিয়ে এইশ্ৰেণীৰ উপন্যাসত হাত দিছে। আমাৰ দুজনা মহাপুৰুষক লৈও উপন্যাস লিখিছে চৌধুৰী আৰু মালিকে। শ্ৰীতিলক মজুমদাৰ, পদ্ম বৰকটকী আদি দুই এজনে নাটকো লিখিছে। এইসকলৰ এনে চেষ্টা অৱশ্যে প্ৰশংসনীয়। মহাপুৰুষ দুজনা কলা-গুৰু, কবি-গুৰু, ছন্দ-গুৰু, নাট্য-গুৰু, সমাজ সংস্কাৰক আদি সৰ্বগুণ সম্পন্ন, আৰু সেইকালৰপৰা বেলেগ বেলেগ দৃষ্টিত বিভিন্নজনে তেৱাসকলক বিভিন্ন ৰূপত নিশ্চয় গুৰু মানি সেই সম্পৰ্কে চৰ্চা কৰিব পাৰে। কিন্তু লগতে এই কথাও পাহৰিলে নচলিব যে গুৰু দুজনা এক বিশেষ ধৰ্মৰ প্ৰচাৰকো, লক্ষ লক্ষ লোকে শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰৱৰ্তিত ধৰ্মমত গ্ৰহণ কৰি আধ্যাত্মিক শান্তি লাভ কৰি আহিছে। এনে ক্ষেত্ৰত এই দুজনা গুৰুক লৈ কাল্পনিক কোনো ঘটনা বা বৰ্ণনাৰ সৃষ্টি নকৰাই উচিত হ'ব বুলি ভাবোঁ। প্ৰকৃত জীৱন পঞ্জীৰ নাট্যৰূপ দিয়ক, কিন্তু নাটক বা উপন্যাস বুলিলে কল্পনাৰ প্ৰয়োজন থাকিবই। আৰু উচ্চ ঐতিহাসিক কল্পনাৰ অধিকাৰী হোৱা বুলি আমি নিজক ভাবিলেও, ধৰ্মগুৰুসকলক লৈ কোনোধৰণৰ কল্পনাৰ আশ্ৰয় ল'ব নালাগে যাৰ ফলত তেনে ধৰ্মাৱলম্বী ৰাইজৰ অনু-



ভূতিক কেতিয়াবা আঘাত দিয়াৰো আশংকা থাকে।

শ্ৰীধীৰেন বৰঠাকুৰৰ "বাঙ্গৈ চাহেবা", শ্ৰীপ্ৰদীপ শইকীয়াৰ "ওমৰ খায়াম" জীৱনীমূলক উপন্যাসৰ ক্ষেত্ৰত উল্লেখনীয়।

নতুনসকলৰ ভিতৰত বসন্ত দাস, অশ্বিনী বেজবৰুৱা, চক্ৰেশ শইকীয়া, জয়ন্তমাধৱ বৰা, লোহিত ভঁৰালী, ইন্দ্ৰেশ্বৰ গোস্বামী আদি কেই-জনমান উপন্যাস লেখক ওলাইছে। অৱশ্যে বহুত যন্ত্ৰণা ল'বলৈ সাজু হ'ব লাগিব। দুখ-যন্ত্ৰণা সহ্য কৰিব নোৱাৰা, শ্ৰমবিমুখসকল এইখন পথাৰৰ-পৰা আঁতৰি থকাই ভাল। প্ৰথমে কিন্তু সাহিত্য ক্ষেত্ৰলৈ অহা সকলোৱে ভাষাটো, নিজ ভাষাৰ কালিকাটো ভালদৰে শিকি বুজি ল'ব লাগিব। অন্ততঃ ৰূপাবৰৰ ৰচনাৱলী আৰু 'কীৰ্তন' পুথিখন প্ৰতিজন লেখকেই যত্নেৰে পঢ়ি লোৱা উচিত।

উপন্যাসৰ কলা-কৌশল আয়ত্ত কৰা সহজ নহয়। তাৰ বাবে কষ্ট কৰিব লাগিব।

ভ্ৰমণ কাহিনীৰ ক্ষেত্ৰত আমাৰ সাহিত্য এতিয়াও পিছপৰা। শ্ৰীদেৱেন্দ্ৰনাথ বৰাৰ "দেৱভূমি ভাৰত" (দুই খণ্ডত সম্পূৰ্ণ) এখন সমৃদ্ধ ভ্ৰমণ কাহিনী। ডং নগেন শইকীয়াৰ "আমেৰিকাত দহ দিন", স্বৰ্গীয় ডং বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ "প্ৰফেছাৰ বৰুৱাৰ চিঠি" স্বৰ্গীয় হেমবৰুৱাৰ ভ্ৰমণ কাহিনীৰ সমূহৰ দৰেই অনবদ্য ভ্ৰমণ কাহিনী।

ৰহস্যময় জীৱনৰ উপলব্ধিৰ প্ৰকাশ আমাৰ সাহিত্যত নাই। ভাৰতৰ আন ৰাজ্যৰ এনে সাধু, যোগীসকলৰ এনে অভিজ্ঞতাৰ কাহিনী ইউৰোপীয় বিভিন্ন ভাষালৈও অনূদিত হৈ বহুল প্ৰচাৰিত হৈছে। তেনে পুথিৰ অসমীয়া ভাঙনিয়ে নিশ্চয় পাঠক সমাজৰ আদৰ পাব।

তন্ত্ৰ-মন্ত্ৰ-বেজালি আদি সম্পৰ্কে বৈজ্ঞানিক আলোচনা আৰু আমাৰ বিশ্বাসৰ ৰাজ্যত বাস কৰা ভূত, দলুৱা, বুঢ়াগোঁসাই, যখিনী, বাক্ আদিৰ ওপৰত (প্ৰেততত্ত্ব) কোনেও বহল আলোচনা কৰা চকুত পৰা নাই। এনে অলৌকিক অতিপ্ৰাকৃত বিষয়ৰ ওপৰত বিচাৰমূলক আলোচনা কৰিবলৈ যোগ্যসকল আগবাঢ়ি আহক।

ভাৰতৰ বাহিৰত সুদূৰ আমেৰিকাত থকা প্ৰৱাসী অসমীয়া ছাত্ৰ, চাকৰিয়ালসকলে মিলি অসম সাহিত্য সভাৰ এটা শাখা খোলাৰ কথা নিশ্চয় ৰাইজে কাকতে-পত্ৰই পাইছে। এই শাখা সভাৰ বৰ্তমানৰ সভাপতি ডাঃ বিনয় বৰদলৈ আৰু সাধাৰণ সম্পাদিকা শ্ৰীমতী অণুপ্ৰভা বৰা। শাখাৰ নিজা আলোচনী এখনো আছে, নাম "লুইতৰ পৰা মিচিচিপি"। এই

OKDISCD

শাখাই আমাৰ সাহিত্যৰ ক্ষেত্ৰত কম সময়ৰ ভিতৰতে বহুখিনি মূল্যবান কাম কৰিছে। এখেতসকলৰ যোগেদি অসমৰ সাহিত্য-সংস্কৃতিৰ মূল্যবান সম্পদখিনি বাহিৰত প্ৰচাৰ হওক, কুৰি শতিকাৰ শেষৰ ভাগত আৰু এটা নতুন 'জোনাকী যুগ' আৰম্ভ হওক, এয়ে কামনা।

"জোনাকী" কাকতৰ এশবছৰ পূৰ্ণ হ'ল। অলপতে কলিকতাৰ এ. এছ. এল. ক্লাব আৰু অসম সাহিত্য সভাই মিলি এই শতবাৰ্ষিকী উৎসৱ সমাৰোহেৰে পালন কৰাৰ উপৰিও এখন অতি মূল্যবান, আটকধুনীয়া স্মৃতিগ্ৰন্থও প্ৰকাশ কৰিছে। অ. ভা. উ. সা. সভাৰো শতবাৰ্ষিকী পালন কৰা হ'ল। প্ৰতিজন অসম প্ৰেমীৰে বুকু এই কাৰ্যই এহাতলৈ ডাঠ কৰিছে আৰু দুগুণ আশাৰে কৰ্ম-তৎপৰ হৈ একৈশ শতিকালৈ আগবাঢ়িবলৈ সকলোকে প্ৰেৰণা দিছে।

আমাৰ সমালোচনামূলক সাহিত্যৰ অৱস্থাও উৎসাহজনক নহয়। যোৱা কেইটামান বছৰৰ আগতে ভৱেন বৰুৱাই সমালোচনাৰ যোগেদি ৰোমান্টিক যুগৰ আৰু ৰামধেনু যুগৰ কবি দুই এজনৰ দুই এটা কবিতাৰ সৌন্দৰ্য বিশ্লেষণ কৰি নৱমূল্যায়ন কৰিছিল। তেনে আলোচনাই নতুন কবিসকলকো বাট দেখুৱাইছিল। যোৱা দশকত ড° হীৰেন গোহাঁইৰ বাহিৰে সমালোচনাৰ ক্ষেত্ৰত শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা, ইমদাদ উল্লাহ, ড° গোবিন্দ প্ৰসাদ শৰ্মা, নলিনীধৰ ভট্টাচাৰ্য, উপেন্দ্ৰনাথ শৰ্মা, ধনী বৰা, অধ্যাপক দেৱেন দত্ত, অধ্যাপক প্ৰভাত বৰা আদি কেইজনমানৰ নাম উল্লেখ কৰিব পাৰি। আমাৰ ধাৰণা এই যে আমাৰ সমালোচকসকলৰ ওপৰত সম্প্ৰতি গধুৰ দায়িত্ব পৰিছে।

বুৰঞ্জী সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো ড° হেড়ম্ব বৰপূজাৰী, ড° লীলা গগৈ, ড° সৰ্বেশ্বৰ ৰাজগুৰু, ড° ডিম্বেশ্বৰ শৰ্মা আদি কেইজনমানহে সক্ৰিয়।

অসমৰ দূৰদৰ্শন ব্যৱস্থা এতিয়াও সীমাবদ্ধ। তথাপি আৰম্ভৰে পৰা উচ্চাৰণ, কথনভঙ্গীৰ বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা থাকিব লাগিব। সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ সমাজ-সংস্কৃতিৰ প্ৰচাৰ, বিকাশৰ কাৰণে বেলেগ বেলেগ কেন্দ্ৰ বা ৰিলে কেন্দ্ৰ স্থাপন কৰাত কেন্দ্ৰই গুৰুত্ব দিয়া উচিত। দিল্লী দূৰদৰ্শন কেন্দ্ৰই বিকৃত ৰুচিৰ বিজ্ঞাপন প্ৰচাৰ বন্ধ কৰিব লাগিব।

সাহিত্যৰ শ্ৰীবৃদ্ধিৰ লগত প্ৰকাশকসকলৰ সম্পৰ্ক অতি ঘনিষ্ঠ। প্ৰকাশকৰ অভাৱতে আমাৰ সাহিত্য ইমান দিন পিছ পৰি থাকিল। এতিয়া আমাৰ সেই দিশ চহকী হৈছে, ছপাযন্ত্ৰৰ সংখ্যা বাঢ়িছে আৰু অত্যাধুনিক অফ্ছেট ছপাশালো স্থাপন হৈছে। কিতাপ বন্ধা শিল্পৰো উন্নতি হৈছে।



তথাপি ছপা-বন্ধা অসমৰ বাহিৰৰ ছপা-বন্ধাৰ লগত ফেৰ মাৰিবপৰা হোৱা নাই। সন্মানিত প্ৰকাশকসকলৰ দ্বাৰা প্ৰকাশিত কিতাপৰ একোজন সাধাৰণ সম্পাদকো থাকিব লাগে। প্ৰকাশ কৰিব লগা কিতাপখন ভালদৰে পৰীক্ষকৰ হতুৱাই চোৱাই লোৱাৰ ব্যৱস্থাও কৰিব লাগিব। প্ৰকাশিত প্ৰতি কিতাপকে কলিকতাৰ নেশ্যনেল লাইব্ৰেৰী আদিলৈ অন্ততঃ দুখনকৈ প্ৰতিজন প্ৰকাশকে নপঠিয়ালে ভৱিষ্যতে আমি বহুত মূল্যবান পুথি হেৰুওৱাৰ আশঙ্কা। কোনো কোনো প্ৰকাশকৰ বিৰুদ্ধে বহুত লেখকৰে অভিযোগ আছে। কিতাপ প্ৰকাশন শিক্ষানুষ্ঠানৰ দৰেই এটি সৎ আৰু মহৎ অনুষ্ঠান আৰু ইয়াৰ পৱিত্ৰতা ৰক্ষা কৰিব লাগিব। অসৎ প্ৰকাশকক সকলোৱে এঘৰীয়া কৰা উচিত। সমবায় ভেঁটিত সাহিত্যিকসকলে এটি প্ৰকাশন প্ৰতিষ্ঠান গঠন কৰিলেহে আমাৰ লেখকসকল অধিক উপকৃত হ'ব। চৰকাৰে পাঠ্য-পুথিৰ কিছু ভাগ উপযুক্ত ব্যৱস্থাৰে আকৌ প্ৰকাশকৰ হাতত দিলে দুৰ্বল প্ৰকাশকসকলক সহায় কৰা হ'ব, আৰু তেনে প্ৰকাশকে লেখকৰ কিতাপ প্ৰকাশ কৰিব পাৰিব। অসম প্ৰকাশন পৰিষদে এই ক্ষেত্ৰত এক মহান জাতীয় দায়িত্ব পালন কৰি আহিছে জন্মক্ষণৰপৰাই। আমাৰ প্ৰকাশনৰ সৌষ্ঠৱ বৰ্ধন, চাৰুত্ব সম্পাদনৰ ক্ষেত্ৰত পৰিষদৰ কিতাপসমূহে সদায়ে আহি দেখুৱাই আহিছে। বহুতো মূল্যবান গ্ৰন্থৰ নতুন প্ৰকাশ সম্ভৱ হৈছে পৰিষদৰ যোগেদিয়ে। সদ্যহতে আমাৰ লেখকসকলক আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থাও লোৱা বুলি বাতৰি পাইছিলোঁ। এই সম্পৰ্কে পৰামৰ্শ দিব পাৰি যে উপযুক্ত কিতাপ প্ৰকাশৰ কাৰণে অৰ্থ সাহায্য দি সেই ধনৰ বাবদ পৰিষদে লগে লগে কিতাপ কিনি ল'ব পাৰে; সৰহ সংখ্যক সাহিত্যিকৰ কিতাপ সামৰিব পৰাকৈ সহায়ৰ ব্যৱস্থা কৰিব পাৰে। মোৰ বিশেষ পৰামৰ্শ হ'ল এয়ে যে আন সাহিত্যিকৰ হতুৱাই লিখাই বা সম্পাদনা কৰি যিবিলাক কিতাপ প্ৰকাশ কৰিছে, তেওঁলোকৰ সেই কিতাপৰ নতুন তাঙৰণবিলাকৰ কাৰণে শতকৰা অতি কম নিৰিখত হ'লেও ধন দিয়াৰ ব্যৱস্থা কৰিব লাগে। পাঠ্যপুথিৰ ক্ষেত্ৰত এনে নিৰিখ বঢ়াব লাগে।

এই সুযোগতে আন এষাৰ কথা পোণপটীয়াকৈ কেন্দ্ৰীয় শাসক আৰু সৰ্বভাৰতীয় ৰাইজক জনাই থোৱা উচিত বুলি ভাবিলোঁ। বুৰঞ্জী আৰু বুৰঞ্জীয়ে কোনো মতে চুই যাবপৰা দিন ধৰি আমাৰ এই উমৈহতীয়া ভাষাটো আমাৰ ৰীতি-নীতি, জীৱনধাৰাটোৱে আমাক নিজা বৈশিষ্ট্য দান কৰি আহিছে। সম্প্ৰতি কালৰ ধামখুমীয়াত পৰি ভিতৰৰ বদন আৰু বাহিৰৰ মানৰ হেঁচাত আমাৰ এই অট্টালিকাৰ ভেঁটি থৰক-বৰক হৈছে, ইয়াত ভিতৰ-

OKDISCD

বাহিৰ দুৱোফালৰ পৰা ষড়যন্ত্ৰ চলিছে। এই দেশ যদি একখণ্ড ভাৰতবৰ্ষ তেনেহ'লে ইয়াত নিগাজীকৈ থাকিবলৈ অহাসকলে এইখনকো নিজৰ ভাৰত-বৰ্ষ বুলি মনে-প্ৰাণে গ্ৰহণ কৰিব লাগিব। ধৰ্মৰ নামত, ভাষাৰ নামত নিজা এখন ৰাজ্য স্থাপনৰ কথা সপোনতো ভাবিব নালাগিব। সংবিধানৰ দোহাই দি ইয়াত এখন ত্ৰিপুৰা বা চিকিম কৰিবলৈ দিয়া নহ'ব। স্বাধীন দেশত আমি অসমীয়াসকলো ভাৰতৰ অন্যান্য প্ৰান্তৰ অধিবাসীসকলৰ দৰেই স্বাধীন। আমি কাৰো বহতীয়া হৈ নাথাকিম, সেইটো আমাৰ তেজত নাই। আমাৰ গোপন শত্ৰু সকল, বা আমাৰ চুকত থাকি বুকুত কামুৰিব খোজাসকলে এই কথা যেন পাহৰি নাযায়। এয়া মোৰ ভাবাবেগ নহয়, এয়া আমাৰ বুৰঞ্জীৰ কণ্ঠস্বৰ।

সামৰণিত, ৰাইজৰ ওচৰত আঁঠু লৈ জনাওঁ যে ৰাইজে আশা কৰা মতে ভাষণ লিখাৰ যোগ্যতা মোৰ নাই। দুটামান গল্প, কবিতা লিখা আৰু চিন্তামূলক ভাষণ লিখা একে কথা নহয়। ৰোগ, দুৰ্ঘটনা, দুৰ্যোগৰ মাজেদি মোৰ যোৱা দহটা বছৰ 'দিন যাওক ৰাতি পুৱাওক'কৈ পাৰ হ'ল। কৰিম বুলি ভবা একো কামেই কৰিব নোৱাৰিলোঁ। সেই দিনবোৰ আৰু ঘূৰাই নাপাওঁ। যোৱা এটা মাহ মাত্ৰ মই ভগৱন্তৰ কৃপাত গা-মন টঙাব পাৰিছোঁ। এনেতে এই দায়িত্ব পৰিল আৰু ৰাইজৰ হিয়াভৰা আশীৰ্বাদত মনলৈ সাহ আৰু প্ৰেৰণা আহিল। সময় নিতান্ত কম হোৱাত, এক।ণপতীয়াকৈ, নীৰৱ পৰিবেশত ভাষণখন সমাপ্ত কৰিবপৰা নহ'ল। সভাপতিৰ ভাষণৰ সকলো দায়িত্ব সভাপতিজনৰ নিজৰ। বহুতো দোষ, ত্ৰুটী, ভুল-চুক থাকিব পাৰে, সময়ৰ বৰ অভাৱ হ'ল। চৌতে খৰ মাৰি যিখিনি কৰিব পাৰিলোঁ তাকে আপোনালোকলৈ আগবঢ়ালোঁ।

আমাৰ সকলোৰে শিৰত ভগৱন্তৰ কৃপা বৰ্ষিত হওক,- 'অসম আকৌ উন্নতি পথত জয় আই অসম বোল।'

ৰাইজলৈ কাৰদম্ জনালোঁ।

৩।২।৮৯ **শ্ৰীমহিম বৰা**

শুকুৰবাৰ

OKDISCD